চান্দমামা

জুন ১৯৯৭



মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 129.00 ● উৰাজাহাজ-যোগে 276.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা, পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 135.00 ● উৰাজাহাজ-যোগে 276.00

আপোনাৰ বৰঙণি বেৰল ডিমাণ্ড ড্ৰাফ্‌ট নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :
ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

Chelpark

A class by itself!

CHELPARK COMPANY PVT. LTD.

A-93, Industrial Estate, Rajajinagar, Bangalore - 560 044.

Ph : 335 1694, 335 1562 Fax : 3300021

CHELPARK RANGE OF PRODUCTS

INKS, WAX CRAYONS, WATER COLOUR CAKES, PENS, PENCIL, OIL PASTELS, ADHESIVES, STAMP PAD BOX, WATER COLOUR SET ETC.

চান্দমামা

জুন' : ১৯৯৭

8-6-1997

এই সংখ্যাত আছে

শিক্ষাত শিশুপাল	...৭	দিনৰ পৰ্বত ৰাতিৰজুই	...৩৭
পৃথিৱীৰ খিৰিকীৰে	...৯	সোণালী দুৱাৰ	...৪১
নিলিখা কাব্যৰ গৌৰৱ	...১০	মহাভাৰত	...৪৫
নজৰ	...১৫	সম্বাদ-বি-সম্বাদ	...৫২
সম্ৰাট অশোক	...১৭	চান্দমামা ক্ৰোড়পত্ৰ	...৫৩
তপোশক্তি	...২৫	দুখৰ কাৰণ দুৰাশা	...৫৬
বাহুবল-মুখবল	...৩১	বলৰ বৰাই	...৬১
সাগৰৰ পাৰে পাৰে	...৩৩	ফোটো-নামকৰণ প্ৰতিযোগিতা	...৬৬

যিকোনো ভাষাৰ চান্দমামা

খনে : ৬.০০ টকা

বছৰি : ৭২.০০ টকা



এল আই চি হ'ল লাইফ ইঞ্চিওৰেন্স কৰ্পোৰেশ্যন অব ইণ্ডিয়া। ল'ৰা-ছোৱালীৰ ভৱিষ্যৎ উজ্জ্বল কৰি তুলিবলৈ ইয়াৰ সৈতে আছে বিভিন্ন অভিনব যোজনা। তোমাৰ মা-দেউতাক সুধিলেই তেওঁলোকে আমাৰ জীৱন সুকন্যা, জীৱন কিশোৰ, জীৱন বাল্য আৰু চিলড্ৰেন্স মনি বেক পলিচি আদি যোজনাৰ বিষয়ে বুজাই দিব। এল আই চি হ'ল সদায়েই তোমাৰ শুভাকাংক্ষী।

লাইফ ইঞ্চিওৰেন্স কৰ্পোৰেশ্যন অব ইণ্ডিয়া

বীমা কৰক আৰু সুৰক্ষিত হওক

R K SWAMY/BBDO LIC 6175 D ASM

ওলাল **নতুন** দৰব

লওক

বিনামূলীয়াকৈ **৭** দিনৰ দৰব

বগা দাগ

দেহত ওলোৱা বগা দাগ — আমাৰ আৱিষ্কৃত এই নতুন দৰব ব্যৱহাৰেৰে — ৩৬ ঘণ্টাতে ৰঙা বা গুলপীয়া বৰণ ল'ব'। তাৰ পাছত সেইবোৰ দাগ হ'ব ক'লা আৰু ক্ৰমে ক্ৰমে গাৰ ছালৰ স্বাভাবিক বৰণ পাব।

অন্যান্য দৰবে আপোনাক যদি হতাশ কৰি তুলিছে, আমাৰ এই **'বিনামূল্যত দৰব-পৰীক্ষা'**ৰ আঁচনি মতে ৭ দিনৰ বাবে এই নতুন দৰব অনুগ্ৰহ কৰি পৰীক্ষা কৰি চাওক।

বেমাৰৰ পূৰ্ণ বিৱৰণৰে সৈতে বেমাৰীৰ বয়স, দেহৰ কোন কোন ঠাইত বগা ওলাইছে, পুৰুষ/নাৰী ইত্যাদি লিখি পঠালেই আমি আপোনালৈ দৰব পঠাই দিম।

চুলি সৰা আৰু চুলি পকা

আনকি অতি কম বয়সতো চুলি সৰিব পাৰে, পকিবও পাৰে। কিন্তু তাৰ কাৰণে আৰু চিন্তা নকৰিব।

ভাৰতীয় গছ-বিৰিখৰ শিপা, পাত, বাকলি, আৰু লতা আদিৰে আমি যি বনৌষধি তথা সোণসেৰীয়া ভস্ম প্ৰস্তুত কৰিছোঁ, তাৰে নিশ্চয় চুলি সৰা/ চুলি পকাৰপৰা সম্পূৰ্ণ মুক্ত হ'ব পাৰিব।

যদি আপোনাৰ অন্যান্য বেমাৰো আছে, যেনে — স্মৃতিশক্তিৰ ক্ষীণতা, অত্যধিক শকত তথা মেদযুক্ত হোৱা ইত্যাদিৰ অতি সুফলপ্ৰদ আৰু সফল চিকিৎসাৰ বাবেও আমাৰ সৈতে অৱশ্যেই যোগাযোগ কৰক।

PARAG CLINIC (CN)

P.O. KATRI SARAI (GAYA)

প্ৰেমিয়াৰ কেমেৰা

35 এম্ এম্ কমপ্যাক্ট কেমেৰা

- বগা-ক'লা আৰু ৰঙীন ফটোৰ বাবে আৱশ্যকীয়।
- ফ্লাশ্বৰ সুবন্দবস্ত আছে।
- উপহাৰৰ বাবে অতুলনীয়।
- এই কেমেৰাৰ জৰিয়তে ফটোগ্ৰাফাৰ হৈ ধন আৰ্জি দহ-টকীয়া হ'ব পাৰি।

বেচ ঃ ৪৫০ টকা মাথোন

বজাৰত এই কেমেৰাৰ দাম : ৭৫০ টকা

সন্তুষ্ট নহ'লে টকা ঘূৰাই দিয়া হয়।

007 টয় ৰিভলভাৰ

সম্পূৰ্ন নতুন টেকনলজিৰে নিৰ্মিত অটোমেটিক টয় ৰিভলভাৰ

৭ ৰাউন্ডৰ এই অটোমেটিক ৰিভলভাৰেৰে হিংস্ৰ জন্তু-জানোৱাৰ-চোৰ-লুটিয়াৰ আদিক খেদিব পাৰি আৰু নাট-ভাওনাৰ বাবেও এই ৰিভলভাৰ সুন্দৰকৈ ব্যৱহাৰ কৰিব পাৰি।

বেচ ঃ ২০০ টকা মাথোন

লগতে স্পেশ্বল বেল্ট কেছ আৰু

১০০টা গুলী ফ্ৰি !

লাইছেন্সৰ প্ৰয়োজন নাই

[ডাক-মাছুল আৰু পেকিং উপৰুৱা]

আপোনাক কোনটো লাগে আৰু আপোনাৰ ঠিকনা অনুগ্ৰহ কৰি কেৱল ইংৰাজিৰে জনাওক।

একেলগে কেমেৰা আৰু ৰিভলভাৰ দুয়োটা ল'লে ডাক মাছুল আৰু পেকিং ফ্ৰি।

PRAGATI TRADERS (NC)

P.O., MAIRA BARITH (GAYA)

চান্দমামা

সংস্থাপক : চক্রপাণি ✸ সঞ্চালক : নাগিৰেড্ডি

শিক্ষাত শিশুপাল-খেদা

মে' মাহ হ'ল আৰামৰ মাহ। পঢ়ন নাই লিখন নাই পৰীক্ষা নাই নিৰীক্ষা নাই, কিতাপবোৰ চাঙত উঠিল, পঢ়নৰ পদাপাল টুটিল। কিন্তু—কিন্তু তথাপি ছাতৰে-অভিভাৱকে স্বস্তিৰ উশাহ ল'বপৰা হ'লনে ?

নহ'ল। কিয়নো—হৈ যোৱা পৰীক্ষাৰ অন্তত পুনৰ কোনোবা এখন কলেজত নাম লগাব লাগিব যে—তাতো লালোডিঙীয়া হোৱাৰ অৱস্থা। কিন্তু তদনুসাৰে পুনৰ পঢ়াৰ পঢ়াশালি নাবাঢ়িল। প্ৰতিজন ছাতৰেই এনজিনিয়াৰ, ডাক্তৰ হ'বলৈ ঢাপলি নেমেলে ; কিন্তু উচ্চতৰ শিক্ষাৰ বাবে লাখ-বিলাখে লানি লগালে যে কিখিনি আলাই-আথানি হয় সেই কথা জনাইহে জানে। সদ্যহতে প্ৰচলিত হোৱা কমপিউটাৰ শিক্ষাৰ ক্ষেত্ৰতো অৱস্থা একেই হৈ উঠিছে। শিকাৰু আছে, শিকাৰ ঠাইহে সিমান নাই। আৰু—এই ভীতিৰ ভূতৰ ওপৰত দানহ পৰা দি পৰিছেহি পঢ়াশলীয়া 'কাট-অফ্' মাৰ্কছৰ নিয়ম। যদিও এই নিয়ম প্ৰায় অনিয়মৰে নামান্তৰ, তথাপি প্ৰতিষ্ঠানসমূহকো একপক্ষীয়ভাবে দূষিবও নোৱাৰি—ভাল ছাতৰ লোৱাৰ এই পদ্ধতিৰ কাৰণে। ভাল যেতিয়া পাবই—অভালক কিয় ভাল কৰিবলৈ ভিৰ খাব ?

আৰু—ছাতৰ ভাল হ'লেই নাম লগোৱাৰ লেঠাৰ অন্ত নপৰিব। ছাতৰৰ লগতে ছাতৰৰ অভিভাৱকেও ভাল গধুৰ-জেপীয়া আৰু দানী হ'ব লাগিব। ছাতৰৰ 'কেৰিয়াৰ বিল্ডিঙৰ' কথা ভাবি — টকা-মাটি মাটি-টকা বুলি ধিয়াই ধিয়াই—'গোঁৱাইলোঁ বিষয় ভোলে' বুলি পদফাকি গাই গাই ভোৰতাল বজাব পৰাও হ'ব লাগিব। আমাৰ শিক্ষা-কৰ্তৃপক্ষলৈ আমাৰ নম্ৰ-নিবেদন — শিক্ষ্যাত শিশুপাল-খেদা এই অৱস্থাৰ অন্ত পেলাব নোৱাৰিনে ?

বছৰ : ২২ জুন ১৯৯৭ সংখ্যা : ৩

খনে : ৬.০০ টকা ✸ বছৰি : ৭২.০০ টকা





চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিঃ ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

পৃথিৱীৰ খিৰিকীৰে

পুৰণি মিত্ৰ নতুন সহযোগ

যেতিয়া অন্য দেশৰ সৈতে সুসম্পৰ্ক স্থাপিত হয়, আৰু এই সম্পৰ্কৰ উত্তৰোত্তৰ উন্নতি সাধিত হয়, তেতিয়া কেৱল সেই দেশদ্বয়ৰে নহয়, বিশ্বৰো মংগল সাধিত হয়। আৰু — তেতিয়া সুসম্পৰ্ক স্থাপনৰ বাবে ন ন বাট বিচাৰি উলিউৱা হয়— কেৱল দুখন দেশৰ উন্নতিৰ অৰ্থেই নহয়, সামগ্ৰিকভাৱে মানৱ-সমাজৰ উন্নতিৰ অৰ্থেও হয়।

সদ্যহতে, এই সম্পৰ্কে ভাৰত মহাসাগৰৰ প্ৰান্তীয় দেশসমূহৰ মাজত নতুনকৈ সম্পৰ্ক স্থাপনৰ বাবে ব্যৱস্থা লোৱা হৈছে। ভাৰত মহাসাগৰৰ প্ৰান্তীয় এই দেশসমূহ হ'ল ঃ দক্ষিণ আফ্ৰিকা, ম্যাডাগাস্কাৰ, মাৰিশ্বাছ, মোজাম্বিক, তানজানিয়া, কেনিয়া, য়েমেন, ওমান, ভাৰতবৰ্ষ, শ্ৰীলংকা, মালয়েছিয়া, ছিংগাপুৰ, ইন্দ'নেজিয়া আৰু অস্ট্ৰেলিয়া—এই চৈধ্যখন দেশ। এই দেশসমূহই মিলি—*ইণ্ডিয়ান ওশ্বন ৰিম অ্যাছোছিয়েশ্বান* নামৰ এখন সন্থাৰ পাতনি তৰিলে।

চাৰি বছৰৰ আগতে দক্ষিণ আফ্ৰিকাৰ বিদেশমন্ত্ৰী পিক বোথা মহোদয় ভাৰতলৈ আহিছিল পৰ্যটনৰ বাবে। তেৱেঁই হ'ল এনেহেন সন্থা এখন পতাৰ প্ৰস্তাৱক তথা উদ্যোক্তা। ১৯৯৫ চনত মাৰিশ্বাছৰ প্ৰযত্নৰ ফলস্বৰূপে—ঘাইকৈ অস্ট্ৰেলিয়া, ভাৰতবৰ্ষ, কেনিয়া, মাৰিশ্বাছ, ওমান, ছিংগাপুৰ আৰু দক্ষিণ আফ্ৰিকাই মিলি এই সন্থাৰ প্ৰতিষ্ঠা কৰিছিল। তাৰ পাছত অন্য অন্য দেশেও এই সন্থাৰ সদস্য হ'বলৈ আগ্ৰহ প্ৰকাশ কৰিছিল আৰু কিছুসংখ্যক দেশ সদস্য হৈছিল।

যোৱা মাৰ্চ মাহৰ ৫ তাৰিখে মাৰিশ্বাছৰ ৰাজধানী প'ৰ্ট লুইত এই চৈধ্যখন দেশৰ বিদেশ আৰু বাণিজ্যমন্ত্ৰীবৰ্গৰ এক সন্মিলন পতা হৈছিল আৰু তেওঁলোকে সৰ্বসম্মতভাৱে এই সন্থাৰ এক সংবিধানো যুগুতাইছিল। এই সংবিধানত এই সন্থাৰ উদ্দেশ্য আৰু নিয়ম-প্ৰণালীসমূহো বিবৃত হৈছে।

এই সন্থাৰ বিশেষ লক্ষ্য হ'ব—বিভিন্ন দিশত পাৰস্পৰিক সম্পৰ্কৰ উন্নতি সাধন।

এই সন্থাই সদস্য-দেশসমূহৰ মাজত বাণিজ্য বৃদ্ধিৰ সা-সুবিধা অধিকভাৱে বৃদ্ধি কৰিলে, আধুনিক বৈজ্ঞানিক সা-সুবিধাৰ প্ৰয়োগ বৃদ্ধি কৰিলে, মানৱীয় আৰু সামাজিক সা-সুবিধাসমূহৰ বৃদ্ধিৰ বাবে বাট-বিচৰাৰ ছুপাৰিছ কৰিলে। ভাৰত মহাসাগৰৰ তটৱৰ্তীয় দেশসমূহৰ সন্মিলিত এই সন্থাৰ প্ৰধান কাৰ্য্যালয় মাৰিশ্বাছত স্থাপন কৰা হ'ল।

এই সন্থাৰ মহৎ কাৰ্য্যক্ৰমলৈ চাই বিশ্বৰ বিভিন্ন দেশে এই সন্থাৰ সদস্য হ'বলৈ আগ্ৰহ প্ৰকাশ কৰিছিল। কিন্তু এই সন্থাৰ প্ৰস্তাৱত এই সন্থাৰ সদস্যসংখ্যা অধিক হ'ব নালাগে বুলি মত প্ৰকাশ কৰা হৈছে। এই সন্থাৰ বিশেষ সন্মিলনও ভাৰত বিদেশমন্ত্ৰী শ্ৰী আই. কে. গুজৰাল মহোদয়ে তেওঁৰ বক্তব্যত কৈছে যে সুপ্ৰাচীন কালৰেপৰাই ভাৰত মহাসাগৰৰ তটৱৰ্তী দেশসমূহৰ মাজত সু-সংযোগ স্থাপিত হৈছিল ; কিন্তু কালক্ৰমে বৈদেশিক আধিপত্যহেতুকে এই সম্পৰ্ক ছিন্ন হৈ পৰিছিল। এতিয়া সেই পুৰণিদিনীয়া সম্পৰ্কক পুনঃস্থাপিত কৰাত আমাৰ পুনৰ্মিলনৰ বাট মুকলি হ'ল।



নিলিখা কাব্যৰ গৌৰৱ

চিত্ৰদুৰ্গৰাজ্যৰ ৰজা কনকবৰ্মাদেৱৰ ৰাজসভাত অনেক কবি আৰু পণ্ডিত সভাসদ আছিল, আৰু তেওঁলোকে মহাৰাজৰপৰা যথাৰৎ আদৰ-সৎকাৰো লভিছিল।

চিত্ৰদুৰ্গৰ ৰাজসভাৰ ৰাজ-কবি নৰসিংহ শৰ্মাদেউ আছিল অতি উচ্চখাপৰ পণ্ডিত তথা কবি আৰু তেওঁ আছিল মহাৰাজৰ পৰম প্ৰিয়পাত্ৰ।

এদিন পৰিপূৰ্ণ ৰাজসভাত মহাৰাজে নৰসিংহশৰ্মাক ক'লে, "মহাকবি, বিগত ছয়মাহত আপুনি কোনো নতুন কাব্য ৰচনা কৰি আমাক শুনোৱা নাই। এই ঘটনাৰ হেতু কি জানিব পাৰোঁনে?"

কবিয়ে ক্ষণকাল মৌন হৈ থকাৰ অন্তত মৃদু কণ্ঠেৰে ক'লে, "মহাৰাজ, এই ঘটনাৰ বিশেষ কোনো হেতু দেখা নাই। বয়স পাই ববলা পৰিলোঁ—হেতু কিজানি ইমানেই।"

মহাৰাজে মিঠাকৈ হাঁহিৰে ক'লে, "আপোনাৰপৰা ন ন কাব্য নুশুনা হ'লে—সকলো নিজম নিজম যেন লাগে। যি কি নহওক, এমাহৰ অন্তত শিৱৰাত্ৰিৰ দিনা সভাত আপুনি আপোনাৰ ন-সৃষ্টিৰ বাৰ্তা আমাক দিবহি, আমাক শুনাবহি বুলি আশা।"

কবি শৰ্মাদেউৱে ক্ষন্তেকমান ভাবি লৈ ক'লে, "মহাৰাজ, কুলি বসন্তকালি মুখৰ হয়, ম'ৰাই মেঘ-কালি নৃত্যৰত হয়। কাঁচিয়লি ৰ'দ পৰিলেহে পদুম ফুলে, সুধাকৰৰ সুশীতল পৰশেৰে কুমুদ বিকশিত হয়। ঠিক তেনেকৈয়েই—কবিৰ হৃদয় স্পন্দিত হ'লেহে কবিতা প্ৰকাশিত হয়—এয়ে মোৰ বিশ্বাস।"

তেতিয়া ৰাজীৱ নামৰ এজন যুৱা-কবিয়ে সভাস্থলত দণ্ডায়মান হৈ কৈ উঠিল, "মহাৰাজ, মহাকবি শৰ্মাদেউৰ এই কথা মানিবই লাগিব যে—কবিয়ে কবিতা ৰচনৰ প্ৰেৰণা হৃদয়ৰপৰা

হেম খাৰঘৰীয়া

পাব লাগিব, কিন্তু—হৃদয় স্পন্দিত নহ'লে কবিতা নোলাবই বুলি—কবিতাৰ সৃষ্টি নহ'বই বুলি মানি লোৱা টান। কবিয়ে তেওঁৰ সৃষ্টিৰ বাবে নিজেই অনুকূল পৰিবেশ-পৰিস্থিতি সৃষ্টি কৰি ল'ব—এই আশা ন্যায়সংগতভাৱেই কৰিব পাৰি। মানৱ হ'ল মেধাসম্পন্ন প্ৰাণী, বৌদ্ধিক ক্ষমতাও অতুলন; কিয়নো মানৱে নিজক পক্ষীৰ সৈতে তুলনা কৰিব লাগে? কিয় মানৱে নিজক পুষ্পৰ সৈতে ৰিজাব লাগে? পক্ষী বা পুষ্পক প্ৰশিক্ষণ দিলেও সেইবোৰে মানৱৰ দৰে নিশ্চয় কবিতা ৰচিব নোৱাৰে।"

সভাস্থ অন্য কিছুমান কবিয়ে যুৱা-কবিৰাজীৱৰ সৰস মন্তব্য শুনি গিৰ্জনি মাৰি হাঁহি উঠিল, আৰু মহাকবি শৰ্মাদেউৰ অন্তৰত অপমানৰ অগনি ভমককৰে জ্বলি উঠিল।

শৰ্মাদেউৱে কৈ উঠিল, "এই কথাৰে তুমি কি ক'ব খুজিছা, ৰাজীৱ? মন কৰিলেই এমাহতে কাব্য ৰচি উলিয়াব পাৰি—?"

"হে কবিবৰ, মই তাকেই ক'ব খুজিছোঁ।" ৰাজীৱে ক'লে।

"তেনেহ'লে—তুমিয়েই নৰচা কিয়?"

দুয়োৰো মাজত বচ-বাচ হৈ থকাতে লক্ষ্য কৰি মহাৰাজে ক'লে, "হে কবিদ্বয়, আৰু অন্য অন্য কবিসকল, মই যিটি দিন ন-কাব্যৰ বাবে নিৰ্ধাৰিত কৰিছোঁ, সেই দিনত যিগৰাকী কবিয়ে—আমাক নৱ-কাব্যসুধা পান কৰাব, সেইগৰাকী কবিক আমাৰ ৰাজ্যৰ এক বিস্তীৰ্ণ ভূখণ্ড প্ৰদান কৰা হ'ব।" ৰজাৰ এই ঘোষণাই সকলোটিয়েই সহৰ্ষ সাধুবাদ জ্ঞাপন কৰিলে।

আৰু ৰজাৰ স্বমুখ-নিঃসৃত এই ঘোষণাই যুৱা-কবি ৰাজীৱ আৰু বয়োবৃদ্ধ কবি শৰ্মাদেৱেও স্বীকৃতি দিলে।

চিন্তিত শৰ্মাদেউৱে ঘৰ পাই—ইকথা-সিকথাৰ মাজত ৰাজসভাত হোৱা ঘটনাৰ কথা অৱশেষত পৰিবাৰ শান্তিময়ীকো ক'লে।

আনুপূৰ্বিক শুনাৰ অন্তত শান্তিময়ীয়ে ক'লে, "কিন্তু মহাৰাজে আপোনাক দুখলগাবিধৰ একো কোৱা নাই নহয়—?"

ঠিক তেতিয়াই শৰ্মাদেউৰ জীয়েক কান্তিময়ী তালৈ আহিল, আৰু আহি থাকোঁতেই মাকৰ কথাষাৰ শুনি কৈ উঠিল, "মহাৰাজে দেউতাক দুখলগাবিধৰ একো ক'বই নোৱাৰে। কিয়নো—মহাৰাজ হ'ল আমাৰ দেউতাৰ গুণমুগ্ধ ভক্ত। ৰাজসভাত দেউতাই যি ক'ব, সিয়েই মধুৰ, যি গাব—সিয়েই কবিতাৰ সুৰ।

কান্তিময়ীয়ে তাইৰ দেউতাকক ক'লে, “এই কথাত আপুনি বিচলিত হৈছে কিয়, দেউতা ? ৰাজীৱ নামৰ কবিৰ সৈতে আপোনাৰ কিনো তুলনা ?”

মহাকবি নৰসিংহশৰ্মাদেউৱে জীয়েকৰ কথাৰ কোনো উত্তৰ নিদিলে। তেওঁ তেতিয়া ঘৰৰ খিৰিকীয়েদি নিঃসীম আকাশলৈ চাই চিন্তমগ্নতাৰ মহাৰাজ্যলৈ প্ৰৱেশ কৰি ধ্যানমগ্ন মুনিৰ দৰে হৈ পৰিছিল।

আৰু পাছদিনা প্ৰভাতৰেপৰাই মহাকবিয়ে হাতত কাপ লৈছিল, আৰু ‘জীৱন-বলয়’ নামৰ কাব্যধাৰা লিখিবলৈ ধৰিছিল। এই কাব্যধাৰাত—ধলফাট দিয়া বেলিৰ সৈতে জীৱনৰ বাল্যকালৰ, মধ্যাহ্নক জীৱনৰ যৌৱ-কালৰ, আৰু লহিউৱা বেলিক জীৱনৰ বুঢ়াকালৰ সৈতে তুলনা কৰা হৈছিল।

যিদিনা ‘জীৱন-বলয়’ সমাপ্ত হ'ল, তাৰ পাছদিনা, শিৱৰাত্ৰিৰ আগদিনা মহাকবি শৰ্মাদেউৰে শান্তিময়ীক আৰু জীয়েক কান্তিময়ীকো লগত লৈ ৰাজসভালৈ গ'ল।

তেতিয়া ৰাজসভা কবি-পণ্ডিত পাত্ৰ-মিত্ৰৰে পৰিপূৰ্ণ। সপত্নী-সকন্যা মহাকবি শৰ্মাদেউ যেতিয়া ৰাজসভালৈ সোমাই আহিল, তেতিয়া সকলোটিয়েই সৰৱে তেওঁলোকলৈ অভিনন্দন জ্ঞাপন কৰিলে।

ৰাজীৱে কান্তিময়ীলৈ চাই মিঠাকৈ হাঁহিলে আৰু প্ৰত্যুত্তৰত কান্তিময়ীয়েও মৌমিঠা হাঁহিৰে ৰাজীৱৰ কলিজাত মুগ্ধতাৰ ঢৌ তুলিলে।

এই ঘটনাটো—ৰাজীৱ আৰু কান্তিময়ীৰ মাজত পাৰস্পৰিক মাধুৰ্য্যমণ্ডিত এই দৃষ্টিৰ

নহয়নে দেউতা ? মই ঠিক কোৱা নাইনে ?”

“ঠিক—ঠিকেই কৈছা, আই। কিন্তু আজি—ৰাজসভাত এক দুঃখপ্ৰদ ঘটনা ঘটিল, আৰু সেই ঘটনাৰ গুৰিত আছে এক যুৱা-কবি, নাম তাৰ ৰাজীৱ।” এই বুলি কৈ তেওঁ ঘটনাৰ কথা জীয়েককো ক'লে।

ৰাজীৱ নামৰ যুৱা-কবিৰ কথা শুনি থাকোঁতে কান্তিময়ীৰ চকুযুৰি বাৰে বাৰে উজলি উঠিছিল। কিন্তু ৰাজীৱে তাইৰ পিতৃক কোৱা কথাখিনি শুনি তাই কিঞ্চিত বিমৰিষ হ'ল, আৰু কিঞ্চিত খঙও উঠিল তাইৰ। এগৰাকী বয়োবৃদ্ধ মহাকবি—যিগৰাকী মহাকবিৰ যশ-খ্যাতি কেৱল এখন ৰাজ্যতে নহয়—অন্যান্য ৰাজ্যতো বিয়পা, তেওঁকো ৰাজীৱ নামৰ যুৱা-কবিয়ে জোকাই লোৱাটো দুঃসাহসৰ কথা।

ঘটনাটো—তেতিয়াই সভালৈ সোমাই অহা মহাৰাজৰ দৃষ্টিতো নপৰাকৈ নাথাকিল।

মহাৰাজে পৰিপূৰ্ণ সভালৈ এবাৰ চকু ফুৰাই ল'লে আৰু ক'লে, ''আজি শিৱৰাত্ৰিৰ পৰ্বদিন। আৰু এতিয়া আমাৰ প্ৰবীণ আৰু নবীন কবিদ্বয়ে—মহাকবি নৰসিংহশৰ্মাদেৱে আৰু ৰাজীৱে নিজ-নিজ কাব্যধাৰা পাঠ কৰি আমাক মুগ্ধ কৰিব বুলি আশা কৰিছোঁ।''

মহাকবি শৰ্মাদেউৱে সভা পূৰ্ণৰূপে শান্ত হোৱালৈ সামান্যপৰলৈ অপেক্ষা কৰিলে, আৰু সভা যেতিয়া কাঁহ পৰি জিন যোৱা অৱস্থা হ'ল—তেতিয়া অতি শান্ত ধীৰ মধুৰ কণ্ঠেৰে মহাকবি শৰ্মাদেৱে তেওঁৰ ৰচিত কাব্যধাৰা 'জীৱন-বলয়' পাঠ কৰিবলৈ ধৰিলে।

ৰাজসভাস্থ সকলোটিয়েই মন্ত্ৰমুগ্ধৱৎ এই মহাকাব্য শুনি থাকিল। যেনিবা এক মহাসংগীতৰ ৰাজ্যলৈ মহাকবিয়ে সেই মন্ত্ৰমুগ্ধহেন শ্ৰোতাসকলক লৈ গ'ল আৰু সেই কাব্যপাঠ যেতিয়া সমাপ্ত হ'ল, তেতিয়া কোনো এজনেও হাত-চাপৰি বজাবলৈকে পাহৰি থাকিল। কিন্তু পাছমুহূৰ্ততে সকলো উঠি থিয় হ'ল, আৰু মহাকবি শৰ্মাদেউলৈ শলাগনি-ওলগনি জনালে। স্বয়ং মহাৰজায়ো দণ্ডায়মান হৈ মহাকবিৰ আগত মূৰ দোঁৱাই মহাকবিলৈ আৰু তেওঁৰ ৰচিত মহাকাব্যলৈ শলাগৰ শৰাই আগ বঢ়ালে।

তাৰ পাছত ৰাজীৱৰ পাল পৰিল। ৰাজীৱে এটা ডাঙৰ টোপোলাত বান্ধি লৈ অহা তালপাত এদ'ম মহাৰাজৰ হাতলৈ সমৰ্পণ কৰিলে।

মহাৰাজে তালপাতৰ টোপোলাটো খুলি

চাই অবাক মানিলে। কিয়নো—তালপাতখিনিত—কবিতা দূৰৰে কথা—এটা আখৰো লিখিত নাছিল।

মহাৰাজে ৰাজীৱক সুধিলে, ''এয়েনে তোমাৰ ৰচিত কাব্য—?''

মহাৰাজৰ প্ৰশ্নৰ উত্তৰত ৰাজীৱে মিচিকীয়াই হাঁহিলে মাথোন। তেতিয়া মহাৰাজে ৰাজীৱৰ কাব্যৰ কথা নহয়—কাৰ্য্যৰ কথা দ'কৈ চিন্তিলে আৰু তাৰ পাছত ৰাজীৱলৈ চাই ধীৰ কণ্ঠেৰে ক'লে, ''যদিও নিজে নৰচিলা, তথাপি, তুমিয়েই যে মহাকবিৰদ্বাৰা এক অনন্য কাব্যসুধা ৰচালা, সেই কথাত মোৰ মনত লেশমানো সন্দেহ নাই। নিলিখা কাব্যৰ এই গৌৰৱ—তোমাৰেই প্ৰাপ্য।''

মহাৰাজৰ কথাত মহামন্ত্ৰীয়ে বিস্ময় মানি

কৈ উঠিল, "মহাৰাজ, আপুনি যে ঠিক কি কথা ক'ব খুজিছে এই কথাৰে—তাৰ আগ-গুৰি একোৱেই ঠাৱৰ কৰিব পৰা নাই ৰাজীৱে কেনেকৈনো মহাকবিৰদ্বাৰা কাব্য ৰচালে।"

মহাৰাজে মিচিকীয়াই হাঁহিৰে মহামন্ত্ৰীক ক'লে, "যুৱা-কবি ৰাজীৱে তাৰ নিজস্ব কাব্য-ক্ষমতাৰ কথা ভালকৈ জানিছিল। জানিছিল যে আমাৰ মহাকবিৰ তুলনাত তাৰ কাব্য-ক্ষমতা দৰাচলতে—নাই বুলিহে ক'ব পাৰি। তথাপি ৰাজীৱে মহাকবি নৰসিংহশৰ্মাদেউৰ সৈতে ফেৰ মাৰিছিল। —কিয় ? কিয়নো—মহাকবিক এইদৰে উত্তেজিত কৰি ৰাজীৱে কাব্য-ৰচাত অনিচ্ছুক মহাকবিৰ মাজত থকা সুপ্ত ইচ্ছাক জাগ্রত কৰিব খুজিছিল।"

মহাকবি নৰসিংহদেউ ৰাজীৱৰ ওচৰলৈ আহি ৰাজীৱক বুকুত সাৱটি লৈ ক'লে, "মই তোমাক ভুল বুজিছিলোঁ—ৰাজীৱ। আৰু সেই ভুলৰ ফুল হ'ল—মোৰ জীৱন-কাব্য। এই জীৱন-কাব্য তথা জীৱন-বলয় — মই তোমাতেই উছৰ্গিলোঁ।"

"আপোনাক কাব্য ৰচিবলৈ উদগাবলৈ মই আপোনাৰ সৈতে প্ৰতিযোগিতাৰ ভাও জুৰি আপোনাৰ মনত দুখ দিছিলোঁ, তাৰ বাবে মই ক্ষমাপ্ৰাৰ্থী।" ৰাজীৱে ক'লে।

তেতিয়া মহাৰাজে ক'লে, 'আহিৰ এই আনন্দৰ ক্ষণত আন এক আনন্দৰ সুব্যৱস্থা কৰিব পৰা হ'লে—আমি সমজুৱাই মহানন্দৰ মহাসাগৰতে উটিলোহেঁতেন।"

মহাকবিয়ে প্ৰশ্নসূচক ভংগীৰে মহাৰাজে মহাকবিক ক'লে, "ৰাজীৱক জোঁৱায়েৰ কৰাত আপোনাৰ আছেনে ?"

মহাকবিয়ে তেওঁৰ পুত্ৰীলৈ চালে, আৰু পুত্ৰী কান্তিময়ীয়ে তলমূৰ হৈ 'মৌনং সম্মতি লক্ষণং' প্ৰকাশ কৰাত ৰাজীৱলৈ চালে।

ৰাজীৱে ক'লে, "মই এক মাতৃ-পিতৃহীন দুৰ্ভগীয়া। মোৰ ভাগ্যত যদি এই অভাৱিত যোগাযোগ হয়েই—তাতকৈ পৰম সুখৰ কথা মোৰ ভাগ্যত আৰু নাই — নহ'ব যেন পাইছোঁ। গতিকে—"

এই কথা শুনি—সভাস্থ সকলোটিয়েই আনন্দ প্ৰকাশ কৰিলে।

পাছত মহাৰাজে যথাৰৎ সমাৰোহৰে সৈতে স্বয়ং উপস্থিত থাকি—ৰাজীৱ আৰু কান্তিময়ীৰ যোৰা পাতি দিছিল।

নজৰ

ছুলতানে তেওঁৰ দোস্তৰ সৈতে ডাঠ হাবিৰ কাষেদি গৈ আছিল। ছুলতানৰ দোস্ত আছিল এজন সাধাৰণ মানুহ—তেওঁৰ নাম আছিল হুছেইন। যদিও হুছেইন নাম-কৰা কেও নাছিল, তথাপি ছুলতানৰ সৈতে দোস্তি আছিল নলগল। ছুলতানে হুছেইনৰ আকলমন্দিলৈ—অৰ্থাৎ বুদ্ধিমানীলৈ সদায় মূৰ দোঁৱাইছিল।

ছুলতান আৰু হুছেইনৰ আগে আগে আন এজন বাটৰুৱাও গৈ আছিল। ছুলতানে তেওঁৰ দোস্তক পুছিলে, "হুছেইন, সেই আদমীজনৰ বিষয়ে কিবা আন্দাজা দিব পাৰিবানে?"

"ছুলতান, সেই মানুহজন এজন বাঢ়ৈ।"

"মানুহজনৰ নাম কি ক'ব পাৰিবানে?"

"তাৰ নামো হুছেইন।" হুছেইনে ক'লে।

"অ'— । তাৰ মানে—তুমি তাক আগৰেপৰাই চিনি পোৱা। নহয়নে বাৰু?"

"নহয়, ছুলতান, তাক মই মাত্ৰ আজিহে দেখা পালোঁ। ইয়াৰ আগতে তাক মই ক'তো দেখা নাছিলোঁ।" দোস্ত হুছেইনে ক'লে।

"তেনেহ'লে—তাৰ নামটো জানিলানো কেনেকৈ?" ছুলতানে আচৰিত মানি সুধিলে।

"কথা হ'ল যে—আপুনি যেতিয়া মোক মাতিছিল, তেতিয়া এই মানুহজনেও আমাৰ পিনে ঘূৰি চাইছিল। গতিকে—তেওঁৰ নামো হুছেইনেই হ'ব বুলি মই ভাবিছিলোঁ।"

"তোমাৰ এই আন্দাজা—ঠিকেই যেন পাইছোঁ। পিছে—মানুহজনে বাঢ়ৈৰ কাম কৰে বুলি কেনেকৈনো বুজি পালা?"

"ছুলতান, মানুহজনে হাবিৰ কাষেদি গৈ থাকোঁতে কোনো ফলৰ বা ফুলৰ গছলৈ ঘূৰিও চোৱা নাছিল; কিন্তু ওখ-ওখ ডাঙৰ-ডাঙৰ গছ-পেড়লৈ বাৰেওপতি ডিঙি মেলি-মেলি চাইছিল। মতলব হ'ল—সেইবোৰ দীঘল-দীঘল গছেৰে বা তাৰ ডালেৰে কিবা কৰিব পাৰিনে কি—তাকেহে চাই আছিল। এই কাৰণেই—এওঁ বাঢ়ৈ হ'ব বুলি মই আন্দাজা

দোস্ত মুহম্মদ

লগালোঁ।' দোস্ত হুছেইনে ক'লে।

"তোমাৰ নজৰ বৰ চোকা। আৰু তুমি অতি ওখখাপৰ আকলমন্দো হয়। তোমাৰ এই চোকা নজৰৰ আন এটি চাবুদো মোক লাগে, দোস্ত। আৰু এটা প্ৰশ্ন। যিজন মানুহ আমাৰ আগে আগে গৈ আছে—সেই মানুহজনে ইয়ালৈ অহাৰ আগতে কি খাইছিল—ক'ব পাৰিবা?" ছুলতানে সুধিলে।

হুছেইনে সেই বাটৰুৱাজনলৈ পুনৰ তীক্ষ্ণ দৃষ্টিৰে চালে আৰু তাৰ পাছত ক'লে, "ইয়ালৈ অহাৰ আগতে মানুহজনে মিঠা চেৰাপ বা তেনেকুৱা মিঠা বস্তু কিবা খাইছিল যেন পাওঁ।"

"বাৰু, তাকেই সোধা যাওক—" এই বুলি কৈ ছুলতান হাত-চাপৰি দিয়াত মানুহজনে ঘূৰি চালে আৰু ছুলতানে হাত-বাউল দি মানুহজনক মাতিলে।

মানুহজন কাষ চাপি অহাৰ পাছত ছুলতানে দোস্ত হুছেইনলৈ আঙুলিয়াই তাক সুধিলে, "তুমি এওঁক চিনি পোৱা নহয়—?"

বাটৰুৱাজনে ক'লে, "নাপাওঁ।"

"এতিয়া মই তোমাক তিনিটা প্ৰশ্ন পুছিম। অলপো নভবাকৈ প্ৰশ্ন তিনিটাৰ উত্তৰ পোনে পোনেই দিবা কিন্তু।" ছুলতানে ক'লে।

"পুছক।" বাটৰুৱাই ক'লে।

"তোমাৰ নাম কি? তুমি কি কাম কৰা? ইয়ালৈ অহাৰ আগতে তুমি কি খাইছিলা?" ছুলতানে সুধিলে।

বাটৰুৱাজনে উত্তৰ দিলে, মোৰ নাম হুছেইন। মই বাঢ়ৈৰ কাম কৰোঁ। ইয়ালৈ অহাৰ আগতে মই মিঠা চেৰাপ খাইছিলোঁ।"

ছুলতানে মানুহজনক তেওঁৰ ডিঙিৰ হাৰধাৰ পুৰস্কাৰ দিলে আৰু মানুহজনে ভয় খাই লাগি তাৰপৰা গুচি গ'ল।

মানুহজন গুচি যোৱাৰ পাছত ছুলতানে হুছেইনক সুধিলে, "আন কথা বাদ দিলোঁ, কিন্তু সি মিঠা চেৰাপ খোৱা বুলি কেনেকৈনো কৈছিলা, দোস্ত?"

"সি তাৰ মুখৰপৰা বাৰে বাৰে মাখিবোৰ খেদিছিল, সেই দেখিহে—সি মিঠা চেৰাপ নহ'লেও মিঠা বস্তু কিবা খোৱা বুলি আন্দাজা লগাইছিলোঁ, ছুলতান।"

"দোস্ত, তোমাৰ নজৰৰ জৱাব নাই—!" এই বুলি কৈ, ছুলতানে হুছেইনক আঁকোৱালি ল'লে।



সম্ৰাট অশোক

আগৰ কথা : তেতিয়া বৃদ্ধ মহাৰাজ বিন্দুসাৰ ভগ্নস্বাস্থ্য। আৰু এই ছেগতে—একদা অপমানিত এতিয়া ষড়যন্ত্ৰৰত গ্ৰিক ষড়যন্ত্ৰীহঁতৰ প্ৰৰোচনাৰে প্ৰৰোচিত হৈ মগধ সাম্ৰাজ্যৰ অন্যতম অংগ তক্ষশিলাত ৰাজদ্ৰোহই মূৰ দাঙি উঠিল। মহামন্ত্ৰী ভল্লাটকদেৱৰ পৰামৰ্শমতে মহাৰাজ বিন্দুসাৰে তক্ষশিলাৰ ৰাজদ্ৰোহ দমন কৰিবলৈ ছয়োজন পুত্ৰক মতাই অনালে। কিন্তু একমাত্ৰ অশোকৰ বাহিৰে আন কোনো এজন পুত্ৰও তক্ষশিলাৰ দ্ৰোহ দমাবলৈ আগুৱাই নাহিল। আৰু তাৰ পাছত...

৪

তক্ষশিলাৰ ৰাজদ্ৰোহ দমন কৰিবলৈ অশোক আগুৱাই আহিল, আৰু বৃদ্ধ ভগ্নস্বাস্থ্য মহাৰাজ বিন্দুসাৰে এই মহান কাৰ্য্যত সাফল্যৰ বাবে অশোকলৈ মনে-চিতে আশীৰ্বাদ জনালে। আশোকেও আৰু অযথা কালক্ষেপ নকৰি পোনে পোনেই সেনাপতিৰ কাষ চাপিলে আৰু তক্ষশিলাৰ ৰাজদ্ৰোহৰ কথা চমুকৈ বুজাই কৈ তক্ষশিলালৈ যাবলৈ সৈন্যবাহিনীক প্ৰস্তুত কৰিবলৈ সেনাধিপতিক বুজাই ক'লে।

তক্ষশিলাৰ সেই ৰাজদ্ৰোহৰ কথা সেনাধিপতিয়ে নুশুনাকৈ নাছিল, আৰু এই বিষয়ে মহাৰাজে যে হাত সাৱটি বহি নাথাকিব তাকো জানিছিল। এতেকে—আগৰেপৰাই মনস্থিৰ কৰা সেনাধিপতিয়ে অশোকক কৈ উঠিল, "যুৱৰাজ! ময়ো আপোনাৰ সৈতে তক্ষশিলালৈ বুলি ওলাম।"

"আপোনাৰ কথাত মই প্ৰসন্ন হৈছোঁ। কিন্তু—মোৰ ধাৰণা—আপুনি সদ্যহতে ইয়াতে

'যোগ্য উত্তৰাধিকাৰী'

থকাটোকে ভাল হ'ব ; কিয়নো, আমাৰ পিতাশ্ৰী কিঞ্চিত অসুস্থ হৈ পৰিছে। এতেকে— আপুনি ৰাজধানীতে থাকক। মোক আপুনি এক সৰ্বোত্তম সেনাবাহিনী আৰু লগতে দুজন অতি বিশ্বস্ত দলপতি দিয়ক।" যুৱৰাজ অশোকে সেনাধিপতিক ক'লে।

"আপোনাৰ কথা যুক্তিপূৰ্ণ। মই ৰাজধানীতে থকা আৱশ্যক। আপুনি নিশ্চিন্ত হৈ তক্ষশিলালৈ যাওক। মই আপোনাৰ ইচ্ছা মতে এক সৰ্বোত্তম সৈন্যবাহিনী, আৰু দুজন নহয়—কমেও দহজন অতি বিশ্বস্ত দলপতি আপোনাক দিম।" সেনাধিপতিয়ে ক'লে।

তাৰ পাছত—ৰাজপ্ৰাসাদৰ সমুখত তথা বিশাল পথাৰত হস্তী, অশ্ব আদি শাৰীৱদ্ধভাবে থিয় কৰোৱা হ'ল, আৰু লগতে অস্ত্ৰ-শস্ত্ৰ—দিৰে সৈতে এক সুবিশাল সৈন্যবাহিনীকো সাজু কৰা হ'ল। সকলো সুকলমে সজোৱাৰ পাছত যুৱৰাজ অশোকক সেনাধিপতিয়ে তালৈ লৈ আহিল আৰু যুৱৰাজ অশোকেও যথাযথ গাম্ভীৰ্য্যৰে কিন্তু শিষ্টভাবে সৈন্যবাহিনী পৰিদৰ্শন কৰিলে।

এইবোৰ-এনেবোৰ দৃশ্যলৈ চাই, মহাৰাজ বিন্দুসাৰৰ জ্যেষ্ঠপুত্ৰ সুশেমৰ কলিজাত যেনিবা জুইহে লাগিল।

সায়ংকালত, এন্ধাৰৰ আঁৰ লৈ, সুশেম সেনাধিপতিৰ কাষ চাপিল। সুশেমে সেনাধিপতিক ক'লে, "ক'ৰবাৰ কোনখন ধুবুৰীৰ এচুকত এমুঠিমানে এধানমান কি কৰিলে-নকৰিলে—আৰু তাৰ কাৰণেই একেবাৰে নাই গুৱাহাটী নাই ৰঙামাটিৰ আয়োজন কৰিব লাগিলেন ? আৰু—তাকো সেই মধুফলৰ ঢেঁকীটোৰ চৰ্দাৰীত ? মহ মাৰোঁতেই বৰতোপ লাগিবনে বাৰু ?"

সুশেমৰ কথাৰ উত্তৰত বিস্মিত-বিব্ৰত সেনাধিপতিয়ে সুশেমক ক'লে, "যুৱৰাজ, শত্ৰুৰ বল-শক্তিক উলাই কৰিব নাপায়। জানেই — সাপৰ সৰু-বৰ নাই। এই ৰাজদ্ৰোহৰ আঁৰত গ্ৰিকৰ ক'লা হাত দেখা গৈছে। গ্ৰিকহঁত দুঃসাহসী, চতুৰ আৰু সম্পদশালী। ৰজাৰ বিৰুদ্ধবাদী কৰি তোলাৰ সকেলা সমল সিহঁতৰ আছে। আৰু—যুৱৰাজ অশোকও এনেহেন যুদ্ধাভিযানত নতুন। গতিকে—আয়োজন কিঞ্চিতমান অধিকেই কৰা হৈছে। মহাৰাজৰ হৈ এই দায়িত্ব পালন—মোৰ কৰ্তব্যৰ ভিতৰুৱা কথা। কিয়নো, ৰাজ-

বংশৰ গৌৰৱ — ৰজা আৰু ৰাইজৰো গৌৰৱ।”

“তুমি কাৰ গৌৰৱৰ কথা কৈছানো ? মগধ-সাম্রাজ্যৰ ভৱিষ্য-সম্রাটৰ কথানে— সেই দাসীপুত্র অশোকৰ কথা ?” সুশেমে ইতিকিঙৰ সুৰেৰে ক’লে।

“আপুনিয়েই মগধৰ ভৱিষ্যৎ-সম্রাট— এই কথা ময়ো নুশুনা নহয়। যুৱৰাজ অশোকৰ বিষয়ে মই একো ক’ব নোৱাৰিম।”

“সেনাধিপতি, তুমি যদি মোৰে সৈতে তক্ষশিলালৈ যোৱা, মই দ্রোহ দমাই বিজয়ী হৈ উভতিম—এই কথাত সন্দেহ সঁচো নাই।” সুশেমে প্রায় শুন-নুশুনকৈ সেনাধিপতিক ক’লে।

“কিন্তু যুৱৰাজ, আপোনাৰ এই কথাৰ আগ-গুৰি একোৱেই মই ঠাৱৰ কৰিব পৰা নাই।” সেনাধিপতিয়ে ক’লে।

সুশেমে অতি আগ্রহৰে সেনাধিপতিক ক’লে, “সেনাধিপতি, এই কথা তুমিও জানাই যে—পিতাশ্রীৰ মৃত্যুৰ অন্তত মগধ সাম্রাজ্যৰ অবিসম্বাদী মহাৰাজ—মই। ময়েই। মগধৰ সিংহাসনৰ সিংহ—ময়েই। এতিয়া কথা হ’ল—তোমাৰ সহযোগ মোক লাগে।”

“এতিয়াও আপোনাৰ কথা মই বুজা নাই। কথা এটা সোধোঁনে—? তক্ষশিলাৰ দ্রোহ দমনৰ দায়িত্ব আপুনি লোৱা নাছিল কিয় ?” সেনাধিপতিয়ে সুধিয়েই পেলালো।

“গ’ল কথা গুচিল। এইবোৰ কথা চোবোৱাত—এতিয়া আৰু কোনো ফইদা নেদেখিছোঁ। পিছে—এতিয়াও সময় উকলি যোৱা নাই। আৰু—তাৰ কাৰণেই মই তোমাৰপৰা সহায়-সাৰথি বিচাৰিছোঁ।” ক্ষন্তেকমান ৰৈ সুশেমে পুনৰ ক’লে, “শুনা, মই যি ক’ম—যদি মানি লোৱা, আগলৈ মই যেতিয়া সিংহাসনত বহিম — তোমাৰ যেইকোনো ধৰণৰ ইচ্ছা মই আগম-পূৰাম নোচোৱাকৈয়েই পূৰাম। এই মহাসুবিধা পাবলৈ তুমি—মাত্র এটা কাম কৰিলেই হ’ব। কামটো হ’ল—এই যুদ্ধত অশোকৰ পৰাজয়ৰ বন্দৱস্ত কৰিব লাগিব। অশোক বেয়াকৈ পৰাজিত হৈ ঘূৰাৰ পাছত তোমাক লগত লৈ মই-তক্ষশিলালৈ ওলাম, আৰু বিজয়ী হৈ ঘূৰিম। এইদৰে সেই দাসীপুত্র অশোকৰ গৰ্ব মই গুড়ি কৰিম। তুমি তাৰ লগত একেবাৰে অকামিলা সৈন্যহঁতক বাছি উলিয়াই পঠাবা,

আৰু দলপতিকেইটাকো বহি-বুঢ়া চাইহে পঠাবা। মাত্ৰ এইকণ কাম কৰি দিয়া যদি—মোৰ আঁচনি পূৰ্ণ হ'ব, আৰু সেই লিগিৰীৰ বেটাৰ দম্ভালিও চূৰ্ণ হ'ব। এই আঁচনিৰ কথা—তোমাৰ-মোৰ বাহিৰত আৰু কাউৰী-কুকুৰায়ো নাজানিব।" সুশেমে সিজা শাকত লোণ দিবলৈ চেষ্টা দিলে।

শুনি—সেনাধিপতি ভেবা লাগিল। তেওঁৰ মুখৰপৰা মাত নোলোৱা হ'ল।

আৰু সুশেমে সেনাধিপতিৰ শোবা-শেৰেলুৱাহেন অৱস্থালৈ মন কৰি তেওঁক উদ্‌গাবলৈ চেষ্টা দিলে, "তুমি এইকণ কাম কৰি দিয়া যদি—মই তোমাক যোগ্যতকৈয়ো যোগ্য পুৰস্কাৰ দিম। মই যেতিয়া সম্ৰাট হ'ম—হ'মেই—, তেতিয়া মোৰ—অৰ্থাৎ সম্ৰাটৰ পিছত তুমিয়েই হ'বা সকলো কথাৰ ঘাই। এতিয়া কোৱাঁ, তোমাৰ নিৰ্ণয় কি।"

"যুৱৰাজ, আপুনি বোধকৰোঁ মোৰ ৰাজভক্তিৰ তথা পৰীক্ষাহে লৈছে—।" সেনাধিপতিয়ে সন্দিগ্ধ কণ্ঠেৰে ক'লে।

"ন্—নহয়, কথা তেনেকুৱা নহয়। মোৰ লক্ষ্য মাত্ৰ এটা—অশোকক পদদলিত কৰিব লাগিব। তোমাক মই যি কৈছোঁ—যা কৈছোঁ, আখৰে আখৰে সঁচা। মোৰ কথা শিলৰ ৰেখা।" সুশেমে দৃঢ় কণ্ঠেৰে ক'লে।

"আপুনি আপোনাৰ মনৰ কথা ক'লে, এতিয়া মই মোৰ মনৰ কথা মওঁ, শুনক। আপোনাৰ এই ইচ্ছাই মোৰ অন্তৰক জোকাৰি গৈছে। দেশৰক্ষাহে মোৰ কাম — দেশদ্ৰোহ নহয়। এতেকে — কোনো পৰিস্থিতিতেই আপোনাৰ পৰামৰ্শমতে — এই কাম মই কৰিব নোৱাৰিম।"

সেনাধিপতিৰ কথা শুনি সুশেমে সেমসেমীয়া দিলে। তাৰ পাছত ভুৰু কোঁচাই সেনাধিপতিক টান মাতেৰে সুধিলে, "তো—মোৰ আদেশ পালন নকৰিবানে?"

"কেতিয়াও নকৰোঁ, যুৱৰাজ!" সেনাধিপতিয়ে খাৰাংখাচ কৈ দিলে।

"ঠিক হ্যায়, কোঈ বাত নহীঁ। আন এজন সেনাধিপতিক মকৰল কৰিব লাগিব—কথা ইমানেই।" সুশেমে হুমিয়ালে।

সেনাধিপতিয়ে ক'লে, "সেয়া হ'ল—আপুনি মহাৰাজ হোৱাৰ পাছৰ কথা। যদি ৰাজ-পৰিয়ালতে ইমান দন্দ-বান্দ—সেই ৰাজ-পৰিয়াল কিমান দিনলৈ সুস্থিৰ হৈ





থাকিব ? যুৱৰাজ, মোৰ পৰামৰ্শ হ'ল—"

সেনাধিপতিয়ে কথাষাৰ শেষ কৰিবলৈ নৌপাওঁতেই সুশেমে টপৰকৰে কৈ উঠিল, "তোমাৰ পৰামৰ্শ মোক নালাগে, তোমাৰ পৰামৰ্শ তোমাৰ ওচৰতে থাকক।" এই বুলি কৈয়েই সুশেম তাৰপৰা গুচি গ'ল।

আৰু যুৱৰাজ অশোক পাছদিনা পুৱে ধলফাট নৌদিওঁতেই সসৈন্যে তক্ষশিলালৈ বুলি ৰাওণা হ'ল।

সেনাধিপতিও অশোকৰ লগ লাগি অশোকক কিছুদূৰলৈকে আগবঢ়াই দিবলৈ গৈ থাকিল। সেনাধিপতিয়ে অশোকক ক'লে, "যুৱৰাজ, আপোনাৰ প্ৰচেষ্টা শুভপ্ৰদ হওক, সফল হওক। আপুনি বিজয়ীৰ হৈ উভতিব—এই বিশ্বাস মোৰ আছে। মই এতিয়া ৰাজধানীলৈ ঘূৰিম। যোৱাৰ আগতে কওঁ, যদিও, আপোনাৰ বাবে বাৰজন দেহৰক্ষী দিয়া হৈছে, তথাপি—সদা-সৰ্বক্ষণেই সতৰ্ক হৈ থাকিব। আপুনি বিজয়ী হৈ উভতি অহাৰ পাছত এই বিষয়ে ভাঙি-পাতি ক'ম।"

সেইদিনাই, গোধূলিৰ আগে আগে, সাঁজ লাগি ভাগোঁ-ভাগোঁতে, অশোক সৈন্যবাহিনীৰে সৈতে তক্ষশিলা নগৰৰ উপকণ্ঠত থকা পাহাৰৰ নামনি পালেগৈ। পাহাৰৰ নামনিত সৈন্যবাহিনীয়ে তম্বু তৰিলে। আৰু পাছদিনাই অশোক বিদ্ৰোহীহঁতৰ নেতাসকললৈ কটকী পঠালে।

কটকীয়ে বিদ্ৰোহী নেতাসৱৰ সৈতে সাক্ষাৎ কৰিলে, আৰু ক'লে, "সদ্যহতে মহাৰাজ কিঞ্চিত অসুস্থ হৈ আছে।

আপোনালোকৰ সমস্যা যিমানেই গভীৰ হওক, মহাৰাজে শান্তিপূৰ্বক সমাধান কৰিব বুলি আমাক কৈ পঠাইছে। আপোনালোকৰ অভিযোগ তথা সমস্যা কি—কওক।"

বিদ্ৰোহী নেতাসকলে এই কথাৰ উত্তৰ দিবলৈ সময় খোজাত কটকী তৎক্ষণাৎ সন্মত হ'ল।

ইপিনে — অশোকৰ নিৰ্দেশমতে তিমানতে সৈন্যবাহিনীৰ কিছুমান উচ্চবুদ্ধিসম্পন্ন সেনাই বেপাৰী, ভিখাৰী আদিৰ ভেশছন লৈ তক্ষশিলা নগৰৰ চুকে-কোণে বিয়পি পৰিল আৰু বিদ্ৰোহীহঁতৰ গতি-বিধিলৈ নজৰ দি থাকিল।

সাঁজ লাগি ভগাৰ পাছত—কিছুমান বিদ্ৰাহী নেতাই এন্ধাৰৰ আঁৰ লৈ বিদ্ৰোহৰ ঘাই

গ্ৰিক ষড়যন্ত্ৰীহঁতৰ ওচৰলৈ যোৱা দেখি তৎক্ষণাৎ ঘটনাৰ কথা যুৱৰাজ অশোকক কোৱা হ'ল, আৰু অশোকৰ নিৰ্দেশ অনুসাৰে ষড়যন্ত্ৰী গ্ৰিকহঁতৰ সেই বাসভৱনক ভেশছনধাৰী সৈন্যহঁতে চাৰিওফালৰপৰা আগুৰি ধৰা হ'ল। আৰু পাছ মুহূৰ্তৰেপৰাই অশোকৰ সৈন্যবাহিনীয়ে তক্ষশিলা নগৰখনৰ বাট-পথ অৱৰোধ কৰি যুদ্ধৰ বাবে পূৰ্ণৰূপে সাজু হ'ল।

গ্ৰিক পৰামৰ্শদাতাহঁতে আৰু লগতে বিদ্ৰোহীনেতাহঁতেও সেই গ্ৰিক-ভৱনৰপৰা বাহিৰলৈ ওলাবলৈ প্ৰাণটাকি চেষ্টা কৰি থাকিল ; কিন্তু ওলোৱামাত্ৰেই যমৰ আলহী হোৱাৰ লা-লক্ষণ দেখি সেই আশা এৰিলে, আৰু তাৰ পাছত—পালই সাৰিবৰ কোনো সুৰুঙা নেদেখি—বিদ্ৰোহী নেতাহঁতে, আৰু লগতে সিহঁতৰ দিহাদাতা ষড়যন্ত্ৰী গ্ৰিকহঁতেও অশোকৰ সৈন্য-বাহিনীৰ ওচৰত আত্মসমৰ্পণ কৰিলে।

বিদ্ৰোহীহঁতৰো সৈন্যবাহিনী নথকা নাছিল। সেই সৈন্যবাহিনীয়ে অশোকৰ সৈন্যবাহিনীৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰাৰ চেষ্টাও নিদিয়াকৈ নাছিল ; কিন্তু তাৰ ফলত সিহঁত যেতিয়া পোক-পৰুৱা মৰা দি মৰি থাকিল, তেতিয়া বাকীখিনিয়ে আত্মসমৰ্পণ কৰিলে।

ৰাতি পুউৱাৰ আগে-আগেই অশোকৰ সৈন্যবাহিনীয়ে সমগ্ৰ তক্ষশিলাত মহাৰাজ বিন্দুসাৰৰ ৰাজত্বক পুনৰ প্ৰতিষ্ঠিত কৰিলে আৰু কটকীৰ যোগে এই বাৰ্তা ৰাজধানী পাটলিপুত্ৰলৈ প্ৰেৰণ কৰিলে।

বিদ্ৰোহী নেতাহঁতক বন্দী কৰা হ'ল, আৰু সিহঁতক কটকটীয়া পহৰাৰ মাজত নগৰৰ

সোঁমাজত থকা এক প্ৰশস্ত ৰাজ-ভৱনৰ দুৱাৰডলিত প্ৰকাশ্যভাৱে দেখা পাব পৰাকৈ থিয় কৰি ৰখা হ'ল। তাৰ পাছত ঘোষণা কৰা হ'ল যে — এই ভৱনলৈ তক্ষশিলা নগৰৰ অধিবাসীসকল আহিব লাগে, আৰু ৰাজদ্ৰোহীহঁতৰ বিচাৰ চাব লাগে।

ঘোষণা শুনি মানুহ-মুনিহ দলে-বলে ঢপলিয়াই আহি থাকিল, আৰু চাওঁতে চাওঁতে সেই সুবিস্তীৰ্ণ ঠাইডোখৰত তিল ধাৰণৰ ঠায়ো আৰু নাথাকিল। আৰু তাৰ পাছত—অশ্বাৰূঢ় যুৱৰাজ অশোক সেই ঠাইলৈ আহিল।

অশোকে তলমূৰ হৈ থকা বিদ্ৰোহী-নেতাহঁতক সুধিলে, "আপোনালোকৰ যদি কিবা ন্যায়সংগত অভিযোগ আছিল—এইদৰে ৰাজদ্ৰোহ নকৰাকৈও স্বচ্ছন্দে মহাৰাজক ক'ব পাৰিলেহেঁতেন। কিন্তু সহজ বাট এৰি, আওবাট লৈ, এইখন নগৰক আৰু নগৰবাসীসকলক আপোনালোকে অবাবতে ধ্বংস কৰাৰ বাট লৈছে কিয়?"

এজন বিদ্ৰোহী নেতাই ক'লে, "আমি ৰাজপ্ৰতিনিধিক আমাৰ অভিযোগৰ কথা কৈছিলোঁ, কিন্তু তেওঁ আমাৰ কথালৈ তথা অভিযোগলৈ কোনো গুৰুত্ব নিদিয়া হ'ল।"

"মানি ল'লোঁ, ৰাজপ্ৰতিনিধিয়ে আপোনালোকৰ অভিযোগলৈ উপেক্ষা প্ৰদৰ্শন কৰিলে। কিন্তু মহাৰাজৰ সমীপলৈ নগ'ল কিয়?" অশোকে নম্ৰতাৰেই সুধিলে।

কিন্তু বন্দী নেতাহঁতে এই কথাৰ কোনো উত্তৰ দিব নোৱাৰাত অশোকে ক'লে, "আৰু আপোনালোকে আমাৰ ঘোৰশত্ৰু গ্ৰিক ষড়যন্ত্ৰীহঁতৰ সৈতে যোগাযোগ স্থাপন কৰিছিল কিয়? দেশবাসীৰ অভিযোগ বিদেশীয়ে গুচোৱা বুলি কেতিয়াবা শুনিছেনে?"

বন্দীহঁতে এই কথাৰো কোনো উত্তৰ দিব নোৱাৰাত অশোকে ক'লে, "এই অন্যায়-অসংগত ৰাজদ্ৰোহৰ কাৰণে বিদ্ৰোহী তাহঁতলৈ আৰু তেওঁলোকৰ পৰামৰ্শদাতা গ্ৰিক ষড়যন্ত্ৰীহঁতলৈকো ফাঁচীৰ দণ্ড দিয়া হ'ল।"

এই বুলি কৈয়েই যুৱৰাজ অশোক তাৰপৰা গুচি গ'ল, আৰু অশোকৰ সৈন্যবাহিনীয়ে তৎমুহূৰ্ততেই অশোক-প্ৰদত্ত দণ্ডাদেশ কাৰ্যকৰী কৰা হ'ল।

আৰু — তাৰ ফলত তক্ষশিলাত এক পৰিস্থিতিয়ে মূৰ দঙা হ'ল। [আগলৈ



তপোশক্তি

তথাপি ৰজা বিক্ৰমাদিত্য নদমিল। বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল আৰু সেই গছজোপাৰ ডালত লৰফৰাই ওলমি থকা মৃতদেহটো নমাই আনি কান্ধত পেলাই লৈ কিনকিনীয়া বৰষুণ আৰু ঘোৰ আউঁসীৰ এন্ধাৰৰ মাজেদি শৱ-সাধনাৰ উদ্দেশ্য মনত লৈ শ্মশানলৈ বুলি গৈ থাকিল। তেতিয়া মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, তুমি যদি কিবা বিশেষ ক্ষমতাসম্পন্ন হোৱাৰ কাৰণে এই অকল্পনীয় শ্ৰম-নিমগ্ন-হৈছা—সেই ক্ষমতা ইমান শ্ৰম নকৰাকৈও কিন্তু পাব পাৰি। যেনেতুমি তপস্যাৰ যোগেদিও এই ক্ষমতাৰ অধিকাৰী হ'ব পাৰা। পিছে—তপোশক্তিৰ অধিকাৰীয়ে আত্মস্বাৰ্থত সেই ক্ষমতাৰ প্ৰয়োগ কৰিব নাপায়, আনৰ উপকাৰৰ বাবে অলৌকিক ক্ষমতাৰ প্ৰয়োগ কৰিব পায়। এই বিষয়ে পদ্মাকৰ-ৰত্নাকৰৰ দৃষ্টান্ত তোমাৰ পক্ষে শিক্ষনীয় হ'ব বুলি মোৰ ধাৰণা হৈছে।" এই বুলি কৈ, বেতালে পদ্মাকৰ-ৰত্নাকৰৰ কাহিনী ক'বলৈ ধৰিলে :

বেতাল-কথা

আৰু জনাদিয়েককো সাক্ষীৰূপে লৈ, পিতৃ-সম্পত্তিৰ মূল্য স্থিৰ কৰি, ভায়েকক তাৰ ন্যায্য প্ৰাপ্য ভাগ দিলে।

ৰত্নাকৰে তাৰ ভাগৰ ধন লৈ ঘৰ এৰি গুচি গ'ল, আৰু অ'লৈ-ত'লৈ গৈ গৈ আঞ্জা চাকি চাকি, ধোঁৱাখুলীয়াৰ দৰে খৰচ কৰি কৰি যেতিয়া কপৰ্দকহীন হৈ কপাল খাই কাং ওলোৰাটো হ'ল—তেতিয়া পুনৰ ঘৰলৈ ঘূৰিল আৰু মিছাকৈ ক'লে যে তাৰ ধনখিনি লুটিয়াৰহঁতে নিলে বুলিহে সি এনেহেন অথন্তৰত পৰিল।

ককায়েক পদ্মাকৰ ভায়েক ৰত্নাকৰৰ কথাত পতিয়ন গ'ল আৰু তাক ঘৰতে থাকিবলৈ ক'লে। কিন্তু লখ-জীপ নোহাৰা ৰত্নাকৰে ককায়েকৰ এই সহজ কথা সহজ মনেৰে নল'লে আৰু ক'লে, "মোৰো নিজস্ব বোলা বস্তু আছে, মই নিজেই নিজৰ ভৰিত থিয় হ'ম, মই তোমাৰ খাই জীৱন নিনিয়াওঁ—স্বাৱলম্বী হ'ম। যদি মোৰ কথাত বিশ্বাস আছে—নাইত হাত নিদিয়াকৈ—মোক কিছুখিনি ধন ধাৰলৈ দিয়া, মই বেহা কৰিম, চহা নহ'ম।"

পদ্মাকৰে হাঁহি মাৰি ক'লে তাক, "মোৰ খাই জীৱন নিনিয়াবা বুলি কৈছা—আকৌ মোৰেপৰাই ধনো খুজিছা — এয়ানো কেনেকুৱা কথা ? শুনা, স্বাৱলম্বী হোৱাৰ আগতে—দায়িত্ববোধ কি—তাৰ জ্ঞানো লাগে। এটা কাম কৰা, তুমি আমাৰ গাঁৱৰে ধনবৰ্দ্ধনৰ ছোৱালীজনীক—হেমাক বিয়া কৰোৱা। বিয়াৰ কিছুদিনৰ পাছত তাইৰ গহনা-তহনা বেচি যি পাবা—তাৰে বেপাৰত ধৰা।

পদ্মাকৰ আৰু ৰত্নাকৰ—দুয়ো আছিল ভাই-ককাই। পদ্মাকৰে বেহা-বেপাৰ কৰি ওনা-ওনে আৰ্জিছিল। পদ্মাকৰে ভায়েক ৰত্নাকৰক কৈছিল, "তই মোৰ বেপাৰৰ ভাগীদাৰ হ, তয়ো দুয়ো হাতে আৰ্জিব পাৰিবি।"

কিন্তু ৰত্নাকৰে কৈছিল, "মই দেশ-বিদেশলৈ যাম আৰু দুয়ো হাতে আৰ্জি খাম, আৰু ৰইনাই দি কোঁচাই সাঁচিম। মোক মোৰ পিতৃ-সম্পত্তিৰ ভাগ দিয়া, মই তাৰেই মোৰ ভাগ্যক গঢ়ি ল'ম।"

পদ্মাকৰে ৰত্নাকৰক ইকথা-সিকথাৰে ঢেৰ বুজালে, কিন্তু ৰত্নাকৰ আঁকোৰগোঁজ, তাক তাৰ ভাগ এতিয়াই লাগে। যেতিয়া সি একোপধ্যেই বুজ নামানিলে, তেতিয়া পদ্মাকৰে গাঁওবুঢ়াক আৰু গাঁৱৰ মান্য-গণ্য

পতি-পত্নীৰ অৰ্থ হ'লএকত্ব, দুয়ো মিলি এক। এই একত্বৰ মাজতেও যাৰ যাৰ নিজত্ব অটুট-অভগন হৈ থাকে।

ককায়েকৰ এইটি কথাত ৰত্নাকৰৰ মনত উজান-ভাটি লাগিল, আৰু সি-ৰত্নাকৰে আৰু ৰাই-কুই নকৰি বিহখাই বিহ ভুগি মৰাৰ বাটলৈ বুলি ৰঙতে খোজ ল'লে আৰু এমাহৰ ভিতৰতে হেমাক বিয়া কৰাই, এবছৰতে বাপেকীটো হৈ দিলে।

আৰু ক্ৰমে ক্ৰমে ৰত্নাকৰ—ৰঙৰ কিলত গুকুলাগুকুল হৈও—একে একে তিনিটি ল'ৰাৰ বাপেক হৈ ত্ৰাহি মধুসূদন দেখি তৌবা তৌবা কৰিব'লৈ ধৰিলে।

ককায়েক পদ্মাকৰৰ মাত্ৰ এটি পুত্ৰ আছিল। তাৰ নাম মহীধৰ। হঠাৎ এদিন সামান্য বেমাৰতে মহীধৰ মাতৃহীন হৈ পৰিল। কিছুদিনৰ অন্তত — পদ্মাকৰে তেওঁৰ পুত্ৰ মহীধৰক ভায়েক ৰত্নাকৰৰ হাতত গটাই দি, সন্যাস গ্ৰহণ কৰি, তপস্যা কৰিবলৈ হিমালয়লৈ গুচি গ'ল।

আৰু এইদৰে—ৰত্নাকৰো হঠাৎ ধনত শিতান দিয়া হৈ উঠিল। কিন্তু বুদ্ধিমতী হেমাই ৰত্নাকৰক ধনে-খোৰা ধোঁৰাখুলীয়াটো হ'বলৈ নিদিলে, তাই এইবাৰ গিৰিয়েকক গা লৰাই গোছ ল'বলৈ উদগালে।

পোনতে — ভাগ্যৰ কথা ভাবি ভালেই পাইছিল, কিন্তু কিছুদিনৰ পাছত—মহীধৰৰ কথা ভাবি গিৰিয়েক-ঘৈণীয়েক দুয়ো একেদৰেই চিন্তিত হৈ উঠিল। সিহঁতহালে ভাবি থাকিল: এদিন এই বিৰাট সা-সম্পত্তি—এই

মূঢ়া আমৰ হুদুটোক—মহীধৰটোকেই নিশ্চয় দিব লাগিব। কিয়নো—এয়া হ'ল তাৰ বাপতি-সাহোন। এতিয়া সি নুবুজাটো হৈ আছে, কিন্তু সদায়েই এনেকুৱাকৈ তাক মুচবি-সামৰি খালৈত ভৰাই থ'ব পৰা যাবনে? নাযায়। তেতিয়া কি হ'ব?

উপায় এটা ৰত্নাকৰেই দিলে। হেমাক ৰত্নাকৰে ক'লে, "তাক—এই মূৰৰ বীজ নুগুচাটোক—এতিয়া-এহিক্ষণৰেপৰাই পোনাব লাগিব। মোমাই মৰিলে ভূতক পোৱালৈ বৈ থাকিলে নহ'ব।"

হেমাই প্ৰশ্নৰ চাৱনিৰে চোৱাত ৰত্নাকৰে তাইক অতি সৰু সৰুকৈ কিবাকিবি কাণত ঢালিলে, আৰু হেমায়ো 'হয়' ভাৱেৰে মূৰ দুপিয়াই দুপিয়াই শিং থাকিলে হালত বাব পৰা

শহুৰৰ পুতেকৰ শকুনিবুদ্ধিৰ কথাখিনি শুনি শিয়ালৰ শিঙকে দেখিলে।

পাছদিনা, তাৰ অভিনৱ আঁচনিমতে ৰত্নাকৰে মহীধৰক ক'লে, "মহী ঔ, সেই পঢ়া-লিখাবোৰ বাদ দে। পঢ়া-লিখা কৰাৰ কাৰণেহে মই এতিয়া লেদেনা ওকটাটোৰ দৰে জীৱন নিয়াইছিলোঁ। ভাগ্যে—তোমাৰ দেউতাৰাই মোৰ পঢ়ন-লিখন জোৰ কৰি বন্ধ কৰিছিল—তেতিয়াৰপৰাহে মই জালত পৰা শিঙৰাছেন জীৱনবপৰা জাল ফালি ওলাই আহি ভালৰো ভাল জীৱন যাপিবৰ সা-সন্ধান পাইছোঁ। তুমিও পঢ়া-লিখা দিয়া বাদ, জীৱনলৈ নাহিব কোনো বিসম্বাদ।"

খুড়াদেউ বোলা কথা। মহীধৰে খুড়াদেউৰ কথাত পঢ়া লিখা একেবাৰে এৰি দিলে।

"এইখন গাঁৱত কিমান মানুহ আছে—তথাপি যে তোমাৰ দেউতাৰাই তোমাক মোৰ হাততে দিলে—তাৰ কাৰণ হ'ল যে—মোৰ ওচৰত থাকিলে তোমাৰ ভাল হ'ব যে—সেই সাৰ কথাটি বুজাত তোমাৰ দেউতাৰাই ভুল কৰা নাছিল। পিছে—তোমাৰ দেউতাৰাই ভবা মতে ভালৰো ভালটি হৈ ডাঙৰ-দীঘল হ'বলৈ হ'লে—মোৰ কথা আখৰে আখৰে নামানিলে নহ'ব, আৰু আনৰ কথা শুনিব নালাগিব।" ৰত্নাকৰে গহীন মাতেৰে মহীধৰক ক'লে।

"কোনো সা-সম্পদেই চিৰদিন-চিৰকাল নাথাকে। গতিকে—যেইকোনো মানুহেই—হাজাৰ সম্পত্তি থাকিলেও — কঠোৰ শ্ৰম নকৰাকৈ কদাপি ভালকৈ জীয়াই থকাৰ বাট পাব নোৱাৰে। গাতিকে—আজিৰপৰা ঘৰখনৰ কাম-বনৰ দায়িত্ব তুমিয়েই চম্ভালি থাকাঁ।" ৰত্নাকৰে পুনৰ ক'লে।

আৰু সেই দিনাৰপৰা মহীধৰে ঘৰৰ অন্যান্য চাকৰৰ দৰে এইখন ঘৰৰ সৰ্বক্ষণৰ চাকৰ হৈ পৰিল।

কিছুদিনৰ অন্তত ৰত্নাকৰে মহীধৰক ক'লে, "মহী, তুমি কিজানি ভাবিছা যে আমি তোমাক ঘৰুৱা কাম-বন কৰিবলৈ দিছোঁ, আৰু আমি একো নকৰাকৈ আয়মৰে দিন যাপিছোঁ। কিন্তু এইদৰে ভাবি থাকিলে কিন্তু জীৱনত—যাক বোলে ডাঙৰ—ডাঙৰ হ'ব নোৱাৰিবা। তুমি মাতৃহীন হোৱাৰ লগে লগে তোমাৰ দেউতাৰায়ো এই ভুল কৰিছিল, কাম-বন এৰি আমন-জিমনকৈ দিনবোৰ-ৰাতিবোৰ পাৰ কৰিছিল, আৰু শেহান্তৰত তোমাক আমাৰ

হাতত সঁপি গুচি গৈছিল। এয়া হ'ল — বেছিকৈ ভবাৰ কুফল। বেছিকৈ ভাবে যি—ভাৱনাৰ-ছো হয় সি। গতিকে—তুমি তোমাৰ বিষয়ে একেবাৰেই ভবা-গুণা নকৰিবা, কেৱল আমাৰ আলপৈচান ধৰাটোকে জীৱনৰ একমাথোন ধৰম বুলি জানিবা। এইদৰেই তুমি জীৱনত ডাঙাৰ হ'বা, আৰু উদ্ধাৰো পাবা।"

এইখন ঘৰত মহীধৰৰ অৱস্থালৈ বহুতেই বেয়া পাইছিল, বেজাৰ পাইছিল ; আৰু অকলশৰীয়াকৈ পোৱা হ'লে মহীধৰৰ প্ৰতি সমবেদনাও প্ৰকাশ নকৰাকৈ নাছিল। কিছুমানে ৰত্নাকৰকো কৈছিল যে ৰত্নাকৰে মহীধৰৰ প্ৰতি অন্যায় আচৰিছে। কিন্তু ৰত্নাকৰে তেওঁলোকৰ কথা মানি নলৈছিল, কৈছিল, "এয়া হ'ল ভাগ্য, ভাগ্যত আছে যি, হ'বই হ'ব সি।"

ক্ৰমে ক্ৰমে মহীধৰেও ভাবি থাকিল যে—সি এই ৰকমৰ ভাগ্য লৈয়েইহে উপজিছে, আৰু সি দৰাচলতে ভাগ্যৱানেই। আৰু—তাৰ এই সৌ-ভাগ্য যে তাৰ খুড়াদেৱেকৰ কাৰণেই সি পোৱা হৈছে—সেই কথাতো তাৰ সন্দেহ নাথাকিল। আৰু এটা কথাই মহীধৰৰ মনত শিপালে যে—তাৰ খুড়াদেউৰায়ো তাৰ দৰে ভাগ্যৱান হ'ব খুজিছে, কিন্তু হ'হে পৰা নাই। মহীধৰে হুমুনিয়াহ কাঢ়ি দুখৰে সৈতে ভাবি থাকিল যে—কেতিয়াবা কিবা ধৰণে কিবাকিবি উপায় পায় যদি—সি তাৰ মৰমৰ খুড়াদেউৰাকো তাৰ দৰে ভাগ্যৱান কৰি তুলিব।

এইদৰে-এনেদৰে দিন-মাহ-বছৰ পাৰ হৈ হৈ একে একে একেৰাহে সাত বছৰ বাগৰিল।



আৰু এদিন নিজৰ ল'ৰাটোক চাবৰ মনেৰে তপস্বী পদ্মাকৰ হিমালয়ৰপৰা পোনে পোনেই নিজৰ গাঁৱৰ ঘৰলৈ আহিল।

আহিল, কিন্তু দীঘল দাড়ি-দীঘলীয়া মোচেৰে ভোবোকাৰ হৈ পৰা পদ্মাকৰক মহীধৰে, বা ৰত্নাকৰ-হেমায়ো চিনি নাপালে। আৰু—কিবাকিবি ভাবি—পদ্মাকৰেও নিজৰ চিনাকি নিদিলে।

ৰত্নাকৰ আৰু হেমাই সন্যাসী পদ্মাকৰক ঘৰৰ ভিতৰলৈ আদৰি লৈ গ'ল, আৰু সন্যাসীৰ আলপৈচান ধৰাৰ বাবে মহীধৰকে ঘাই চাকৰ হিচাপে দায়িত্ব দিলে।

মহীধৰে তাৰ সৰ্বশক্তিৰে সন্যাসীৰ সেৱা-যত্ন কৰি থাকিল। সন্যাসী পদ্মাকৰে মহীধৰৰ সৈতে দুই চাৰি কথা পাতি, প্ৰকৃত চাকৰৰ দৰে

কৰি থকা তাৰ কাম-কাজলৈ লক্ষ্য কৰি, তাক অকলশৰীয়াকৈ পাই ক'লে, "বোপা, তুমি আচলতে এই ঘৰৰ মালিক। তুমিনো কি অৱস্থাত পৰি এইখন ঘৰৰ চাকৰ হোৱাৰ দুৰ্ভাগ্য আৰ্জিলা?"

"এয়া মোৰ দুৰ্ভাগ্য নহয়, সৌভাগ্যহে।" মহীধৰে স্পষ্টকৈয়েই ক'লে, "এই সৌভাগ্য বহুতেই নাপায়, মই মোৰ খুড়াদেউৰ যহতে পাইছোঁ, যদিও তেওঁ নিজে মই পোৱা এই সৌভাগ্য নাই পোৱা।"

ৰত্নাকৰ-হেমা সোমাই আহিছিল, আৰু সন্যাসীৰপৰা বৰ খুজিছিল। সন্যাসীয়ে সিহঁতহালক বৰ দিবলৈ অস্বীকাৰ কৰিছিল, কিন্তু মহীধৰক বৰ দিব খুজিছিল।

মহীধৰে ৰত্নাকৰৰ পিনে চোৱাত ৰত্নাকৰে তাক ইচাৰাৰে সন্যাসীৰপৰা ভালৰো ভাল বৰ খুজি ল'বলৈ কৈছিল।

মহীধৰে সন্যাসীক কৈছিল, "মোৰ মহাভাগ্য মোৰ খুড়াদেউৰ হওক—এই বৰ মোক দিয়ক।"

আৰু—লগে লগে সন্যাসী পদ্মাকৰে 'তথাস্তু' বুলি কৈ দিয়াত—সেই মুহূৰ্তৰেপৰাই ৰত্নাকৰ ঘৰখনৰ চাকৰ হৈ পৰিল আৰু চাকৰ মহীধৰ হ'ল মালিক। আৰু পদ্মাকৰে নিজৰ প্ৰকৃত চিনাকি নিদিয়াকৈয়েই তাৰপৰা গুচি গ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক সুধিলে, "হে ৰাজন্! মোৰ এটি মাত্ৰ কৌতূহল হ'ল এয়ে যে—তপস্বীয়ে আত্মস্বাৰ্থত তপস্যাৰপৰা প্ৰাপ্ত শক্তি ব্যৱহাৰ নকৰে, বা কৰিলেও যে ফল নাপায় বুলি কোৱা হয়, এইক্ষেত্ৰত তাৰ ব্যতিক্ৰম হ'ল কিয়? মোৰ প্ৰশ্নৰ সঠিক উত্তৰ জানিও নোকোৱা যদি—তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব যে—ধ্ৰুপ বুলি জানিবা।"

"তপস্যাৰ শক্তিৰে কেৱল পৰোপকাৰেই নহয়, দুষ্টকো দণ্ডদান কৰাৰ শক্তি তপস্বীৰ মাজত থাকে। সেই শক্তিৰেই তপোশক্তিৰ অধিকাৰী পদ্মাকৰে দুষ্টৰো দুষ্ট ৰত্নাকৰলৈ দণ্ডদান কৰিছিল। গতিকে — কোনো ব্যতিক্ৰম হোৱা নছিল।"

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই সেই মৃতদেহটো লৈ বেতালে সেই গছজোপালৈ বুলি গুচি গ'ল। [কল্পিত

বাহুবল - মুখবল

বহুদিনৰ আগৰ কথা। পুৰন্দৰপুৰৰ ৰাজ-দৰবাৰত মুখবল নামৰ এক বিদূষক আছিল। মুখবলৰ ঘাই গুণ বহুৱালি নাছিল, আছিল তেওঁৰ বাক্-চাতুৰ্য্য। মুখবলে কেৱল কথাৰে মানুহক উৰুৱাই লৈ যাব পাৰিছিল, ৰঙৰ সাগৰত উটুৱাব পাৰিছিল। ৰজাই তেওঁৰ কোঁঠৰ বিপৰীতফালে মুখবলৰ থকা-মেলাৰ বাবে ঘৰ এটা সজোৱাই দিছিল।

এই ঘৰটোত মুখবল বৰ আৰামতেই আছিল, কিন্তু সদ্যহতে বাহুবল নামৰ পালোৱান এজনে মুখবলৰ ঘৰৰ কাষতে মাটি লৈ ঘৰ সাজি থাকিবলৈ লোৱাতহে মুখবলৰ চকুৰপৰা টোপনিয়ে মেলানি মাগিছিল, তেওঁৰ ইমানদিনৰ আৰাম হাৰাম হৈ উঠিছিল।

এই অথন্তৰৰ গুৰিত আছিল — এটা কুত্তা। পোহনীয়া কুত্তা। দিনৰ ভাগত কুত্তাটোৰ কোনো উম-ঘাম নাই, কিন্তু ৰাতিৰ পৰতেই কুত্তাটো হঠাৎ জাগি উঠে আৰু ওৰে ৰাতি ভৌ-ভৌকৰে জিৰণি নোলোৱাকৈ ভুকি থাকে। আৰু — এই কাৰণেই মুখবলেও কুত্তাটোৰ লগে লগে সাৰে থাকে, থাকিবলৈ বাধ্য হয়।

কথাটো মুখবলে বাহুবলক এদিন ক'লে। মুখবলৰ কথা শুনি, হাঁহি মাৰি, বাহুবলে ক'লে, "মোৰ কুত্তাই যে ভুকে—হয়; কিন্তু তাৰে তোমাৰো উপকাৰ নোহাৱা নহয়। চোৰ-লুটিয়াৰবোৰৰ যম হ'ল মোৰ এই কুত্তা।"

"কিন্তু সি-কুত্তাই মোৰ যমেই হৈ উঠিছে। হয় তুমি তাক ৰাতিৰপৰতে নুভুকিবলৈ প্ৰশিক্ষণ দিবা, নহ'লে মই তাক চাম।"

মুখবলৰ উগ্ৰ কথাত বাহুবলৰ তিগ্ৰমাত্তি খং উঠিল, যদিও কিন্তু সেই খং খালৈত সামৰি থৈ ইতিকঙৰ সুৰেৰে ক'লে, "শুনা, মোৰ কুত্তা কিন্তু উদণ্ডীয়া কুত্তা নহয়, বাটৰ কুকুৰ নহয়। ই চোৰো ধৰিব পাৰে; বাঘৰ লগতো যুঁজ দিব পাৰে আৰু বেয়াকো পোনাব পাৰে।" এই বুলি কৈ, বাহুবল ঘৰৰ ভিতৰলৈ সোমাই গ'ল।

পৰমেশ পাঠক

বাহুবলৰ ডাম্ফিমৰা কথাই মুখবলে সহিব নোৱাৰি ভাবিলে যে এই কুকুৰবো অধম পালোৱাননে গাবোৱান বাহুবলৰ কথা মহাৰাজক ক'বগৈ। কিন্তু পাছ মুহূৰ্তত ভাবিলেঃ এই সামান্য কথাবো ইছ্পাৰ-উছ্পাৰ কৰাৰ ক্ষমতাও মোৰ থাকিব লাগে — মহাৰাজেও কিজানি ইয়াকে ক'ব।

আৰু—আৰু এসপ্তামানলৈ কুকুৰটোৰ মৰ-ভুকনি সহি থাকাৰ অন্তত, এনিশা মুখবলে লাঠিৰে কুকুৰটোৰ কঁকালত কোবোৱাত কুকুৰটোৰ কেঁকনি শুনি বাহুবল ঘৰৰ ভিতৰৰপৰা ওলাই আহিল আৰু কৈ উঠিল, "কি! মোৰ কুত্তাক লাঠিৰে মাৰিলা! মই এই অত্যাচাৰ নসহোঁ। আকৌ যদি মোৰ কুত্তাৰ কঁকালত কোবাইছা, তোমাকো কঁকাল-কটা কৰিহে এৰিম।" বাহুবলে দাঁত-মুখ কৰচি মুখবলক ক'লে।

"ঠিক আছে, এইবাৰ আৰু কঁকালত নহ, এইবাৰ তাৰ মূৰত মাৰিমম, চাই থাকা মই কি কৰোঁ-কি নকৰোঁ। এই কুত্তাৰ, আৰু লাগিলে, তাৰ আঁকোগজা গৰাকীবো তমতমিব অন্ত পেলাম।" মুখবলে নগদে-নগদ বাহুবলৰ লগত নাই তই-নাই মইৰ পাতনি তৰিলে।

বাহুবলে মাটিতে গোৰ শোধাই ক'লে, "যদি মোৰ কুত্তাৰ মূৰত মাৰিছা, তোমাৰ মূৰটো যাতে ঠাইত নাথাকে মই চাম। যদি তাৰ ঠেঙত মাৰিছা, তোমাৰ ঠেঙো ঠাইত নাথাকিব বুলি জানি থোৱা। জানি থোৱা—মোৰ কথাৰ লৰচৰ কদাপি হোৱাও নাই, নহ'বও।"

"ৰ্বাৰু, দেখা যাব কোন কিমানৰ কি। আজিৰপৰা যদি তোমাৰ কুত্তাক তুমি নিজেই নোপোনোৱা, তাক কেনেকৈ পোনাব লাগে—চাবা। কেৱল কুত্তাকে নহয়, মহাৰাজক কৈ, কুত্তাৰ গৰাকীকো পোনাম, তেহে মোৰ মুখবল নাম। এতিয়াও কৈছোঁ— যদি ভাল হৈ থাকা, ময়ো ভাল হ'ম, নহ'লে— তোমাৰ কুত্তাৰ আৰু তোমাৰো মই কাল হ'ম। এতিয়া কি কৰা—কৰা।"

এই বুলি কৈ, মুখবল তাৰপৰা দুপদুপাই গুচি গ'ল।

ইমান বলী পালোৱান হোৱা সত্ত্বেও মুখবলৰ বাক্-চাতুৰ্য্যই বাহুবলক যথেষ্ট দুৰ্বল কৰি তুলিছিল, আৰু তাৰ কুত্তাটোক বাহুবলে নিজেই বুজাই-শিকাই পোনাইছিল।

গাই যাওঁ চেন্নাই-চতিহা...

বৰ্ণন : মীৰা নায়াৰ ✱ চিত্ৰণ : কে.এছ. গোপকুমাৰ

ফ্ৰান্সিছ ডে'-ই ফোৰ্ট ছেইণ্ট জৰ্জ সজালে, কিন্তু তেওঁ এইবাৰে সমালোচনাৰে থকা-সৰকা হৈ থাকিল ; কিয়নো তাত কোনো প্ৰাকৃতিক পোতাশ্ৰয় গঢ়ি তোলাৰ সুৰুঙা নাছিল। জাহাজবিলাক গভীৰ সমুদ্ৰতে নঙৰ পেলাবলগীয়া হৈছিল, আৰু যাত্ৰীসৱক সেই গভীৰ সমুদ্ৰৰপৰা মছুল্লা নামৰ সৰু নাৱেৰে তীৰলৈ লৈ আহিবলগীয়া হৈছিল। যি কি নহওক—১৮৬১ চনত ম্যাৰিনা সাগৰবালিৰ উত্তৰদিশত এক কৃত্ৰিম পোতাশ্ৰয় গঢ়ি তোলা হ'ল। সিদিনাৰ চেন্নাইৰ সেই কৃত্ৰিম পোতাশ্ৰয়েই হ'ল আজিৰ ভাৰতৰ অন্যতম বৃহৎ আৰু কৰ্মমুখৰ পোতাশ্ৰয়।

ম্যাৰিনা সাগৰবালিৰ দক্ষিণদিশত আছে—**ব্যাছিলিকা অব্ ছানথোম**। সেই সুপ্ৰচীন ৫২ খৃষ্টাব্দত যিশুখৃষ্টৰ দ্বাদশ প্ৰেৰিতশিষ্যৰ অন্যতম ছেইণ্ট টমাছ দিদাইম্যাছ খৃষ্টধৰ্মৰ প্ৰচাৰৰ বাবে এই চেন্নাইলৈ আহিছিল। তেওঁৰ সমাধিৰ ওপৰত ব্যাছিলিকা অব্ ছান থোম সজোৱা হৈছিল। ভাৰতলৈ খৃষ্টৰ বাৰ্তাবাহকৰূপে তেৱেঁই আছিল প্ৰথম পথিক। অ্যাডায়াৰ নৈৰ নিচেই ওচৰত থকা এই ব্যাছিলিকা অব্ ছানথোমৰ কাষতে আছে বিশ্ব-থিয়ছফিক্যাল ছোছাইটিৰ প্ৰধান কেন্দ্ৰ। মাদাম ব্লাভাস্কি আৰু আমেৰিকাৰ কৰ্নেল



দি ব্যাছিলিকা অব্ ছান থোম

ওলকটৰ প্ৰচেষ্টাৰে, আৰু ডক্টৰ অ্যানি বেছান্তৰ উদ্যোগেৰে এই ছোছাইটি প্ৰতিষ্ঠিত হৈছিল।

প্ৰাচ্য-সভ্যতাৰ বিষয়ে পৃথিৱীৰ অন্যতম বৃহৎ পুথি-ভঁৰাল হ'ল ইয়াত অৱস্থিত অ্যাডায়াৰ পুথি-ভঁৰাল। এই পুথি-ভঁৰালত ১৬৫,০০০ পুস্তক আৰু ২০,০০০ তালপতীয়া পাণ্ডুলিপি আছে।

কলাক্ষেত্ৰ

থিয়ছফিক্যাল ছোছাইটিৰ উদ্যানত আছে সৰ্বধৰ্মৰ নিয়ামক এক অভিনৱ মঠ আৰু ২০০ বছৰৰ প্ৰাচীন এজোপা বড়বৃক্ষ। এই বৃক্ষজোপাৰ তলত প্ৰায় ৩০০০ মানুহ থিয় হ'ব পাৰে।

পৃথিৱীবিখ্যাত ভাৰতীয় ঐতিহ্যবাহী সংগীত আৰু নৃত্যশিক্ষাৰ অন্যতম উল্লেখযোগ্য প্ৰতিষ্ঠান কলাক্ষেত্ৰও অনতিদূৰতে অৱস্থিত। ১৯৩৬ চনত খ্যাতনাম্নী থিয়ছফিস্ট ৰুক্মিণী অৰুণ্ডালেই এই কলাক্ষেত্ৰ প্ৰতিষ্ঠা কৰিছিল।

১৯৩০ চনলৈকে, তামিলনাডুৰ ঐতিহ্যবাহী ভাৰতনাট্যম্ নৃত্যকলাৰ চৰ্চা কেৱল মন্দিৰৰ দেৱদাসীহঁতৰ মাজতে সীমাবদ্ধ আছিল। অভিজাত পৰিয়ালৰ কোনো ছোৱালীয়ে ভাৰতনাট্যম্ নৃত্য শিক্ষা কৰাৰ কথা আছিল সামাজিকতাৰ পৰিপন্থী। কিন্তু ৰুক্মিণী অৰুণ্ডালেই এই দৃষ্টিভংগীক তেওঁৰ প্ৰতিষ্ঠানৰ যোগেদি ব্যাপকভাৱে সলাব পাৰিছিল।

আৰু অলপমান দক্ষিণলৈ গ'লে পোৱা যাব **গুইন্ডি ন্যাশ্বানাল পাৰ্ক**, য'ত দেশৰ অধিকভাগ কৃষ্ণসাৰ হৰিণবোৰে আশ্ৰয়লাভ কৰিছে। ৰাজভৱন, ইণ্ডিয়ান ইনস্টিটিউট অৱ টেকন'লজি, গুইণ্ডি এনজিনিয়্যাৰিং কলেজ—যিখন হ'ল ভাৰতৰ সৰ্বপ্ৰথম এনজিনিয়্যাৰিং কলেজ—, আমেৰিকীয় কিন্তু ভাৰতত বসবাসকাৰী ৰোমুলাছ হুইটেকাৰ প্ৰতিষ্ঠিত **মাদ্ৰাজ স্নেক পাৰ্ক**—যিখন স্নেক পাৰ্কত দৰ্শকে ৰাইজে সাপবিলাকক ছুই চাব পাৰে আৰু ভাৰতৰ সাপবিলাকৰ ফোটোও ল'ব পাৰে।

চেন্নাইতে সুপ্ৰাচীন **মায়লাপুৰ** আৰু **ট্ৰিপলিকেন** অৱস্থিত।

কথিত আছে, এবাৰ পাৰ্বতীয়ে শিৱৰ কথালৈ ঠিকভাৱে মন নকৰাঁ শিৱই খঙতে পাৰ্বতীক এক ময়ূৰীলৈ ৰূপান্তৰিত কৰি পেলালে। তেতিয়া পাৰ্বতীয়ে সেই ময়ূৰীৰ (মায়লা) ৰূপতে পৰাচিতৰ বাবে একেৰাহে কেইবাদিনো ধৰি শিৱৰ আগত নাচি নাচি মহাক্রুদ্ধ শিৱক কোমলাবলৈ প্ৰাণটাকি চেষ্টা কৰি থাকিল। এই ঠাডোখৰকে 'মায়লাপুৰ' অৰ্থাৎ 'ম'ৰা চৰাইৰ নগৰ' বুলি কোৱা হৈছিল।



কপিলেশ্বৰ মন্দিৰ

মায়লাপুৰত আছে কপিলেশ্বৰ মন্দিৰ, যি মন্দিৰ এজোপা **পুন্নাই বিৰিখৰ** তলত নিৰ্মিত। এই বিৰিখজোপাক চেন্নাইৰ বিৰিখবিলাকৰ মাজত প্ৰাচীনতম বুলি কোৱা হয়।

কপিলেশ্বৰ মন্দিৰৰপৰা অলপমান আঁতৰত **লুয চাৰ্চ** অৱস্থিত, যি-চাৰ্চক চেন্নাইৰ প্ৰাচীনতম ইউৰোপীয় চাৰ্চ বুলি কোৱা হয়। এই চাৰ্চা পৰ্টুগিজসকলে ১৫৪৭-১৫৮২ চনৰ মাজত নিৰ্মাণ কৰিছিল এই চাৰ্চ-নিৰ্মাণৰ আঁৰৰ কাহিনীভাগ হ'ল, : কিছুমান পৰ্টুগিজ নাৱিক ধুমুহাৰ কবলত পৰি দিশহাৰা হৈছিল, আৰু তেতিয়া সেই ধুমুহাৰ নিশা তেওঁলোকে হঠাৎ এক বিশেষ জ্যোতি দেখা পাই, সেই জ্যোতি অৰ্থাৎ পোহৰৰ সহায়ত এই তীৰ পাইছিলহি। তীৰ পোৱাৰ লগে লগেই সেই জ্যোতি নোহোৱা হৈছিল। সেই জ্যোতি য'ত নোহোৱা হৈছিল, তাতেই সেই নাৱিকসকলে এই চাৰ্চ সাজিছিল।

ট্ৰিপ্লিকেন হ'ল ১৪০০ বছৰৰ প্ৰাচীন উপনিবেশ। এই উপনিবেশত থকা **পাৰ্থসাৰথি** মন্দিৰ অতি বিখ্যাত। প্ৰথম খৃষ্ট-পূৰ্বাব্দৰ কবি-ঋষি তিৰুৱাল্লুৱৰ নামলৈ **ভাল্লুৱাৰ কোট্টাম** মন্দিৰৰ মঞ্চ উছৰ্গা কৰা হৈছিল। এওঁৰ ৰচিত ১৩৩০ শ্লোকযুক্ত **তিৰুক্কুৰাল** অতি মহৎ ধৰ্মগ্ৰন্থৰূপে বিবেচিত।

এইগৰাকী কবি-ঋষিৰ প্ৰতিমূৰ্তিৰে সৈতে ৩৩ মিটাৰ ওখ মন্দিৰ-ৰথম্ মন্দিৰ-প্ৰাংগণত ৰক্ষিত আছে। ভাল্লুৱাৰ কোট্টাম মন্দিৰত থকা মঞ্চ তথা প্ৰেক্ষাগৃহত ৪০০০ দৰ্শকৰ আসন আছে।

এই ঠাইৰ **হেজাৰ চাকিৰ মছজিদ** অতি উল্লেখযোগ্য। এই মছজিদ চেন্নাই নগৰৰ আন্না ছালাইত (মাউণ্ট ৰ'ড) আৰু পিটাৰ্স ৰ'ডৰ সংগমস্থলত অৱস্থিত। এই মছজিদৰ ভিতৰ হেজাৰ চাকি থকাত মছজিদৰ এই নামকৰণ কৰা হৈছে।

চেন্নাইৰ উপনগৰীত **কোডামবক্কম** হ'ল দক্ষিণভাৰতৰ বোলছবি তোলাৰ ঠাই।

চেন্নাইৰ আটাইতকৈ পুৰণি আৰু বৃহৎ শিল্পদ্যোগ হ'ল **পেৰাম্বুৰ**। পেৰাম্বুৰত ভাৰতীয় ৰেলওৱেৰ বাবে মাল-কঢ়িউৱা আৰু যাত্ৰী-কঢ়িউৱা ডবা নিৰ্মিত হয়। এই সুবৃহৎ কাৰখানাৰ হস্পিটল শল্যচিকিৎসাৰ (ছাৰ্জাৰি) কাৰণে বিখ্যাত। পেৰাম্বুৰৰ নিচেই ওচৰত আছে—শ্ৰীকাশী বিশ্বনাথ। মন্দিৰ, যি-মন্দিৰত ঐতিহ্যবাহী তিৰুপতি-ছাতি বছৰি এৰাতিকৈ ৰখাৰ পাছত প্ৰভু ভেঙ্কটেশ্বৰৰ মন্দিৰলৈ লৈ যোৱা হয়।



কবি-ঋষি তিৰুৱাল্লাৱ

এই মন্দিৰৰ এক বিশেষ বিশেষত্ব হ'ল যে—এই মন্দিৰৰ এক অতি সুৰম্য দৰ্শনীয় জহৰতাদিৰে বনকৰা নয়নাভিৰাম চূড়া আছে। ১৭৬০ চনত গুজৰাটৰপৰা চেন্নাইলৈ অহা কিছুমান জহৰী-পৰিয়ালৰ উদ্যোগত এই মন্দিৰ সজোৱা হৈছিল। এইবোৰ পৰিয়ালৰ দুগৰাকী তিৰোতাৰ উদ্যোগত ১৮০৪ চনত এখন দাতব্য ট্ৰাস্ট গঠন কৰা হৈছিল, আৰু সেই ট্ৰাস্টৰ উদ্যোগেৰে এই মন্দিৰ নিৰ্মিত হৈছিল।

ৱাল্লুৱৰ কোট্টাম

Amrita Bharati, Bharatiya Vidya Bhavan, 1997

দিনৰ পৰ্বত ৰাতিৰ জুই নেদেখি থাকিবা শুই

ৰতনপুৰ গাঁৱৰ ৰণধীৰ নামৰ ডেকাজন সদায় বিছনাত শুই শুই—কেতিয়াবা ৰাজকুঁৱৰী এগৰাকীক কিবাপধ্যে বিয়া কৰাই—ক'ৰবাত ৰজা হোৱাৰ সপোন সাজিছিল। ৰণধীৰ আছিল বেছ শকত-আৰত বল-শক্তি থকা, কিন্তু সি খেতি-বাতিৰ কাম তো নায়েই, আন কোনোবা কামতো হাত-উজান দিয়াত নাই দেখি—কেৱল বহি বহি দন টানি খোৱা আৰু শুই শুই পাটী লোৰা দেখি—এদিন তাৰ দেউতাকে তাক ঘৰৰপৰা উলিয়াই দিলে।

উলিয়াই দিলে—কিন্তু এই কথাত ৰণধীৰে মুঠেই বেয়া নাপালে। সি তেতিয়াই ৰাজধানীলৈ গ'ল, আৰু তাত তাৰ দূৰ-সম্পৰ্কীয় মোমায়েক সুমন্ত্ৰৰ ঘৰলৈ গৈ খলি পোতা হ'ল।

সুমন্ত্ৰই তাক ৰজাৰ সৈন্যবাহিনীত নাম লগাই দিব বুলি কোৱাত ৰণধীৰে নানান অজুহাতেৰে এই কামত আপত্তি প্ৰদৰ্শন কৰিলে। তথাপি তাক সুমন্ত্ৰই ক'লে যে তেনেহ'লে সি ৰজাৰ পৰীয়াৰ কামকে কৰক, পৰীয়াৰ কামত সিমান লেঠা নাই, কেৱল লাঠি-যাঠি হাতত লৈ থিয় হৈ থাকিব লাগে, আৰু কাচিৎ—কেতিয়াবাহে ৰজা-ঘৰৰ আৰ-তাৰ ইটো-সিটোৰ বাবে ফা-ফৰমাইছ মতে ত'লৈ-ত'লৈ যাব লাগে—বিধোবিধ বস্তু-বাহানি আনিব লাগে—ইটো-শিটো কৰি-ধৰি দিব লাগে—বছ, ইমানেই।

সুমন্ত্ৰৰ এই প্ৰস্তাৱৰ আঁৰত এটি উদ্দেশ্য আছিল এয়ে যে—হৃষ্ট-পুষ্ট ডেকা ৰণধীৰৰ সৈতে তেওঁৰ ছোৱালীজনীক—মল্লিকাক যোৰা পাতি দিব পাৰিলে—বছ—তেওঁৰ ইজনমৰ মহা চিন্তাৰ অন্ত পৰিব।

কিন্তু পৰীয়াৰ্ কামতো যেতিয়া ৰণধীৰে আপত্তি দৰ্শালে, তেতিয়া সুমন্ত্ৰ কিছু চিন্তাত পৰিল। তথাপি—ৰণধীৰহেন চফল ডেকাজনক এৰিব নোৱাৰে তেওঁ। সেইদেখি —এইবাৰ ৰজাৰ অন্তেষপুৰত ঘণ্টাধৰীৰ কাম

সত্যসুন্দৰ শৰ্মা

অধিক দিন অন্তেষপুৰৰ এচুকতে পাৰ কৰিলে, কিন্তু ৰাজকুঁৱৰীক এদিন এমুহূৰ্তৰ বাবেও দেখা নাপালে যে—সেই কথা ভাবি ভাবি সি ক্ৰমে ক্ৰমে চেৰা-বলিয়া হেন হৈ উঠিল।

এদিন ৰণধীৰে ৰাজ-উদ্যানৰ বুঢ়া মালীক সুধিলে যে—ৰাজকুঁৱৰী ক'ত থাকে, আৰু এই উদ্যানত তেতিয়া তেওঁক দেখা পোৱা যায়।

মালী বুঢ়াই সোলা মুখৰ হাঁহিৰে ক'লে, ''কিয়নো ৰজাৰ কুঁৱৰীয়ে এই উদ্যানলৈ আহিব ? তেওঁৰ কাৰণে মল্লিকাজনীয়ে ইয়াৰপৰা ফুল বুটলি লৈ যায়। সেই বুলি—ৰাজকুঁৱৰী তেওঁৰ সখিহঁতৰ সৈতে ইয়ালৈ নহাও নহয়—পিছে কোন-কাহানি আহিব—কোৱা টান। আৰু—এতিয়া কথা আৰু বাৰুখিনি বেলেগা। কিয়নো—ৰাজকুঁৱৰীৰ বিয়াৰ দিন চমু চাপি আহিল। অৱশ্যে—বিয়াৰ দিনা আমি সকলোটিয়েই ৰাজকুঁৱৰীক নিশ্চয় দেখা পাম।''

ৰাজকুঁৱৰীৰ বিয়া—শুনি ৰণধীৰৰ হিয়া হায়ওঁকৈ উঠিল। সি মৰিবলৈ ওলোৱা যেনহে লাগিল তাৰ। তাৰ ৰাজকুঁৱৰী আন কাৰোবাৰ হ'ব—এই দুখ সি ক'তনো থ'ব ?

ভাবি ভাবি — ভাবি ভাবি অৱশেষত উপায় এটা উলিয়ালে সি।

পাছদিনা, গধূলিপৰতে ৰাজকুঁৱৰীলৈ ফুলৰ পাচি কঢ়িয়াই লৈ যোৱা লিগিৰীজনীৰ সৈতে মাতবোল কৰি থাকোঁতে সি এছেগত তাইৰ ফুলৰ পাচিত সৰুকৈ কাগজ এখিলা ভাঁজ কৰি পেলাই দিলে। সি ভাবিলে যে — তাৰ চিঠিখন নিশ্চয় ৰাজকুঁৱৰীয়ে পাব।

ল'বলৈ ক'লে। ঘন্টাধাৰীৰ কাম—নামতহে কাম, ঘণ্টাধাৰীয়ে কেৱল ৰাতিৰ পৰতে ঘণ্টা বজাব, বছ, আন নাই।

আৰু—এইবাৰ—অন্তেষপুৰত ৰাজকুঁৱৰীক দেখা পাবই পাব বুলি ভাবি ৰণধীৰে সাতে-সোতৰই বহুত ভাবি বহুত গুণি—শেহান্তৰত ঘণ্টাধাৰীৰ কামটো ল'লে।

সুমন্ত্ৰৰ ছোৱালী মল্লিকা আছিল ৰাজকুঁৱৰীৰ খাচ লিগিৰীহঁতৰ এজনী। মল্লিকাৰ ঘাই কাম আছিল প্ৰতিদিন ৰাজকুঁৱৰীৰ কাৰণে ফুল-বোটলা।

মল্লিকাক ৰণধীৰে সদায়েই দেখা পায়, কিন্তু যিজনীক দেখাৰ বাবে ঘন্টাধাৰীৰ কামটো ল'লে, সোইজনীকহে নাপায়।

ৰণধীৰে ঘণ্টাধাৰীৰ কামত এমাহতকৈয়ো

চিঠিখনত সি লিখিছিল : "আপোনাৰ কাৰণে মই বহুদূৰণিবটীয়া গাঁও এখনৰপৰা আহিছোঁ —— অৰণ্য-পৰ্বত-নৈ আদি পাৰ হৈ। আৰু—ইয়াত ঘণ্টাধাৰীৰ কাম লৈ আপোনাৰ দৰ্শনৰ কাৰণেই বাস্ট চাই ৰৈ আছোঁ। ইতি—আপোনাৰেই—ৰণধীৰ।

কিন্তু চিঠিখন ফুলৰ পাচিত থৈ দিয়াৰ আৰু মল্লিকাই লৈ যোৱাৰ পাছ মুহূৰ্তৰেপৰাই এই কথা ভাবি ৰণধীৰ শেঁতা পৰিল যে—ৰজাই তাক শুদাই নেৰিব—কিজানি তাক ফাঁচিৰ জৰীতে ওলোমাব। ৰাজকুঁৱৰীলৈ চিঠি লিখাৰ বাবে তাক ৰজাই কি কৰিব-কি নকৰিব ভাবি ভাবি বলিয়া হ'ল। তাক ৰজাই ডোখৰ ডোখৰকৈ কাটি শগুণবোৰক খাবলৈ দিব।— এইবোৰ-এনেবোৰ চিন্তাই তাক খুলি খাবলৈ ধৰিলে আৰু তাৰ ফলত—সি ঘণ্টাধাৰীৰ কাম ঠিকমতে কৰিবলৈ পাহৰি পেলালে।

ৰাতিৰ প্ৰথম পৰত সি ঘণ্টা নবজোৱা হ'ল। আৰু দ্বিতীয় পৰত সি একেলগে তিনিবাৰ ঘন্টা বজোৱাত ৰজাই শয্যাত্যাগ কৰিলে। কিন্তু ৰাতিৰ তিনি পৰত তেওঁক সাৰ পোৱাবলৈ লিগিৰীজনী নহাত তেওঁ কিঞ্চিত ক্ৰুদ্ধ হৈ হাত-চাপৰি দিলে, আৰু লিগিৰীজনী তৎক্ষণাৎ দৌৰি আহিল।

লিগিৰীজনী সময়মতে কিয় নাহিল বুলি সোধাত লিগিৰীজনীয়ে ৰজাক ক'লে যে— ৰাতিৰ তিনি পৰ হওঁতে এতিয়াও এপৰ সময় আছে। কিন্তু ৰজাই অতি স্পষ্টৰূপেই তিনিপৰীয়া ঘণ্টা শুনিছিল। গতিকে—তেওঁ ৰাতিপুৱাতেই ঘণ্টাধাৰীক তেওঁৰ সমুখলৈ লৈ

আহিবলৈ লিগিৰীক কৈ, পুনৰ শুলে।

ৰাতিপুৱা ঘণ্টাধাৰীক ৰজাৰ সমুখলৈ লৈ অহা হ'ল। ৰজাই মাতিছে — গতিকে যমপুৰীলৈ যাবৰ সময় হৈছে—এই কথাত ঘণ্টাধাৰী ৰণধীৰৰ কোনো সন্দেহ নাছিল, আৰু সেই কাৰণে সি ধাৰৰ নলকঁপা দি ঠেঙে-ঠেঙে দাঁতে-দাঁতে ভোষতাল ৰজাই আহি থাকিল।

ৰজাই ৰণধীৰক সুধিলে, "তুমি ইয়াত কিমানদিনৰপৰা কাম কৰিছা ?"

"ম্—মহাৰাজ! মাত্ৰ তিনিমাহৰপৰা কাম কৰি আছোঁ।" ৰণধীৰে ধেল ওপঙা খোৱা যেন হৈ ৰজাক কথমপি কথাকেইটা ক'লে।

ৰজাই ৰণধীৰৰ অৱস্থালৈ চাই কিঞ্চিত কুমলি ক'লে, "তুমি কিয়-ঘণ্টাধাৰী হ'লা ?

সৈনিক হ'বহে লাগিছিল। ঠিক আছে, তোমাক সৈন্যদলত ল'বলৈ মই সেনাধিপতিক ক'ম।"

ৰজাই মিঠাকৈ হাঁহিৰে ক'লে।

কিন্তু তথাপি ৰণধীৰৰ ঠেঙৰ কঁপনি বন্ধ নহ'ল।

ৰজাই যেতিয়া তাক গুচি যাবলৈ ইংগিত দিলে, সি অতি কষ্টেৰেহে তাৰাপৰা গুচি যাবলৈ খোজ ল'লে।

তলমূৰ হৈ ৰণধীৰ যেতিয়া অন্তেষপুৰৰ ঘাই দুৱাৰ পাৰ হওঁ হওঁ হ'ল—তেতিয়া ৰাজকুঁৱৰীৰ ফুলৰ পাচি কঢ়িয়াই লৈ যোৱা লিগিৰী মল্লিকাজনীয়ে ৰণধীৰক দেখা পাই আগবাঢ়ি আহিল আৰু তাই ক'লে, "অ' মোৰ জীৱনৰ গতি — হ'বলগা পতি, তুমি যে তোমাৰ গাঁও এৰি মোৰ কাৰণে ৰাজধানীলৈ আহিছা সেইটি কথা — মই জানো। নিজৰ মনৰ কথা ক'বলৈ বাৰু, ফুলৰ পাচি লাগেনে ? চিঠিখন ৰাজকুঁৱৰীৰ হাতত নপৰি যে মোৰ হাতত পৰিল—তেও ৰক্ষা ! সেই চিঠিখন ৰাজকুঁৱৰীৰ হাতত পৰাহেঁতেন মোৰ জীৱন-গতি পতি-দেৱৰ মূণ্ড এতিয়ামানে অন্তেষপুৰৰ সিংহদুৱাৰতে ওলমিলহেঁতেন। কিয়নো এই প্ৰেম-পত্ৰ তেওঁলৈকে লিখা বুলি তেওঁ ভাবিলেহেঁতেন। যা হওক — আমাৰ দেউতাই দুই-চাই দিনতে আমাক টিকে-চুলিয়ে লগ লগাব বুলি কৈছে। কিন্তু — সেই চিঠিখন মোলৈ লিখিও মোৰ নামটো কিয় নিলিখা হ'লা ? ইয়াকে বোলে অলিয়া-বলিয়া গাঁৱলীয়া!"

মল্লিকাই হাঁহি হাঁহি ৰণধীৰলৈ মৰমসনা চাৱনিৰে চাই চাই ক'লে।

মল্লিকাৰ কথাতহে ৰণধীৰে যেনিবা পুনৰ জীৱ ঘূৰাই পালে। ৰণধীৰে বাৰুকৈ উপলব্ধি কৰিলে যে—চিঠিখন ৰাজকুঁৱৰীৰ হাতত পৰাহেঁতেন তাৰ সাৰণ নাছিল। সি ভাবিলে : সেই যে বচনত কয় যে—দিনৰ পৰ্বত ৰাতিৰ জুই তাক নেদেখি থাকিবা শুই—কথাষাৰ ঠিকেই। ৰাজকুঁৱৰী ইমানেই দূৰৰ যে এই সপোনেই মৰণৰ বাট লৈছিল। ভাবিলে সিঃ মোক ৰজাৰ কুঁৱৰী নালাগে, মল্লিকাজনীয়েই হওক মোৰ যোগ্য জীৱনলগৰী।

এই বুলি ভাবি ৰণধীৰে সুখৰ অনুভূতিৰে চকু মুদি শুই দিলে।

চান্দমামাৰ

সোণালী দুৱাৰ - ১২

১. ...বিষুৱৰেখাত পেঙ্গুয়িন...?

পৃথিৱীৰ এই দ্বীপসমূহতট গ্রীষ্মমণ্ডলীয় দেশৰ জন্তু তথা গুঁই কাছ-জেঠি-চৰাই-চিৰিকতিৰ সৈতে শীতমণ্ডলীয় পেঙ্গুয়িনবিলাকো পৰিলক্ষিত !

পৃথিৱীখনৰ ক'ত আছে...?

২. ...ক্ষুদ্রতম জাতি ?

আধা স্কোৱেয়াৰ কিল'মিটাৰতকৈও কম ভূখণ্ড আৰু মাত্র এহেজাৰ লোকসংখ্যাৰে—নিজস্ব পতাকা, ডাক-টিকেট আৰু জাতীয় সংগীত থকা ১৯২৯ চনৰপৰা স্বীকৃত জাতি ?

৩....সৰাতোকৈ ওখ ঠাইত হ্রদ ?

হ্রদৰ নাম টিটিকাকা। ৩৮১১ মিটাৰ উচ্চতাত এই হ্রদ থকা ২৭৫ মিটাৰ দ' আৰু ৯০৬৫ স্কোৱেয়াৰ কিল'মিটাৰলৈ বিয়পা।

৪....আটাইতকৈ বহল দলং ?

মৰমেৰে 'দ্য অ'ল্ড-কোট হ্যাংগাৰ' বুলি মতা ১৯৩২ চনত স্থাপিত ৪৮.৮ মিটাৰ বহল আঠছোৱা বাট থকা দলংখন।

৫....এন্দুৰক পূজা কৰা মন্দিৰ ?

কর্ণিমাতালৈ উছর্গা কৰা বগা মাৰ্বেলশিলেৰে সজা এন্দুৰ-নিগনি-চিকাবোৰকো পূজা কৰা মন্দিৰ ?

গল্পৰ ফাঁহ

এই কাহিনীৰ সাৰাংশ ডেনিয়েল ডেফোৰ ৰবিনছন ক্ৰুছোৰ পৰা বোটলা হৈছে। ডেফোই এটি সামান্য ভুল কৰিলে ইয়াত। সেই ভুল বিচাৰি উলিয়াৰ লাগে ঃ



'আবেলিপৰতে মই সমুদ্ৰক প্ৰশান্ত হৈ থকা দেখিলোঁ...মই মোৰ সাজ-পাৰখিনি সোলোকাই ল'লোঁ আৰু গেলা গৰমৰ কাৰণে পানীলৈ জঁপিয়ালোঁ। কিন্তু মই যেতিয়া জাহাজৰ কাষ পালোঁহি, তেতিয়া সেই জাহাজৰ ওপৰত উঠিবলৈ টান পালোঁ। চাই চাই মই জাহাজৰ এচুকত এডাল ৰছী দেখা পালোঁ আৰু সেই ৰছীডালৰ সহায়ত জাহাজৰ মাস্তুলৰ তলি পালোঁগৈ। তাৰ পাছত জাহাজখনৰ আগ ফাললৈ গৈ থাকিলোঁ। জাহাজত থকা খাদ্যবস্তু এনেকৈ ৰখা হৈছিল, য'ত পানীয়ে খাদ্যবস্তুক তিতাব পৰা নাছিল। মই ৰুটি-থকা কক্ষীলৈ সোমালোঁ আৰু কিছুখিনি বিস্কিট ভৰাই লৈ ওলাই আহি জুতি লগাই খাই থাকিলোঁ।

কৰি চাওক

সজাত ভৰাওক চৰাই

কাডবোৰ্ড এখন ৪X৪ চে.মি. ৰে সমতলকৈ কাটি লওক। দুই মূৰত এডাল তাঁৰেৰে আঙঠিৰ গাঁঠিৰ দৰে বান্ধক।

কাৰ্ডবোৰ্ডৰ এপিঠিত এটা চৰাই আঁকক, আন পিঠিত সজা আঁকক।

এতিয়া কাৰ্ডবোৰ্ডত বন্ধা তাঁৰডালত ধৰি কাৰ্ডবোৰ্ডটুকুৰা বেগাই ঘূৰাই থাকক, চৰাই সজাত সোমাবগৈ।

মূৰ–ঘমন

১. ঘোঁৰা এটা কেতিয়া ৬ ঠেঙীয়া হয় ?

২. এটা হাতী আৰু নিগনি কেতিয়া সমান ওজনৰ হয় ?



৩. কেনেকৈ কৰিব পাৰি_
৯+৯+৯+১+১=২০ ?

৪. তেতিয়া মই বন্ধু এজনৰ ঘৰত। যেতিয়া মই বন্ধুজনৰ ঘৰৰপৰা ওলাবলৈ খোজ লৈছোঁ, তেতিয়া মোৰ বন্ধুজনৰ ভায়েকজনে মোক আলিবাটত নাযাবলৈ সাৱধান কৰি ক'লেহি, "এডাল বিষাক্ত সাপ আলিবাটত শুই আছে, নাযাব তালৈ।"

"তুমি কেনেকৈ আহিলা ?" মই সুধিলোঁ।

"মই আহোঁতে সাপডালে টোপনি মাৰিছিল, তাৰ চকুযুৰি আছিল মুদখোৱা, এতিয়ামানে নিশ্চয় সাৰ পালে।"

তাৰ কথা ধেমালি বুলি ভাবি মই আলিবাটলৈ বুলি ওলালোঁ আৰু দেখিলোঁ যে তাত কোনো সাপ নাই। —বন্ধুজনৰ ভায়েকে তেওঁক ভাঁৰিছিল বুলি লেখকে কেনেকৈনো জানিছিল ?



৫. হাতী কেতিয়া ৮ ঠেঙীয়া হয় ?

৬. কিহৰ দুখন হাত আছে কিন্তু কেতিয়াও মুখ চাফা নকৰে ?



৭. গল আছে গিলিব নোৱাৰে। কি নো ?

৮. যুদ্ধত এখন হাত কটা যোৱা সৈন্য এজনক নাপলেয়ঁৰ সমুখলৈ লৈ যোৱা হ'ল। নাপলেয়ঁই সৈন্যজনৰ বুকুত সাম্মানিক মেডেল আঁৰি দিলে আৰু ক'লে, "তোমাৰ হেৰুৱা হাতৰ বাবে।"

"মই মোৰ আনখন হাতে হেৰুউৱাহেঁতেন আপুনি মোক কি দিলেহেঁতেন ?" সৈন্যজনে নাপলেয়ঁক সুধিলে।

"মই তোমাক পালি সেনাপতিৰ বাব দিলোহেঁতেন।" নাপলেয়ঁই ক'লে।

সৈন্যজনে খাপৰপৰা তৰোৱাল উলিয়াই তৎক্ষণাৎ সিখন হাতো কাটি পেলালে।

এই কাহিনী সঁচানে ? যদি সঁচা নহয়, কিয় বাৰু সঁচা নহয় ?

তুষাৰ-মানৱ-আঁকন

ইংৰাজিৰ 3 সংখ্যাটোক কিছুমান ৰেখাৰে তুষাৰ-মানৱলৈ ৰূপান্তৰিত কৰিব পাৰি।

আৰু ইংৰাজি 8 সংখ্যাটোক খোজ-কাঢ়ি ফুৰা পোক-পৰুৱালৈ ৰূপান্তৰিত কৰিব পাৰি।



সোণালী দুৱাৰ -১১ উত্তৰ

পৃথিৱীৰ ক'ত ?

১. ইন্দ'নেজিয়াৰ মধ্যজাভা।

২. ক্যালিফ'ৰ্নিয়া, আমেৰিকাৰ শ্বেত-পৰ্বতত।

৪. ইতালিদেশৰ ভেনিছ-নগৰত।

চিত্ৰ-সাঁথৰ

কোলম্বাছৰ জাহাজত আঁচ থকা পতাকা উৰিছিল।

মনন-জানন

১. ৩৫ ত্ৰিকোণ। ২.

৩. তেওঁলোকৰ সকলোটিৰপৰা।

মূৰ-ঘমোৱা

১. অতিৰিক্তটায়াৰটোত বায়ু নাছিল।

২. আন মূৰত থকা ৰছীডাল একোৰে সৈতে বন্ধা নাছিল।

৩. উইন্ডশ্বিল্ডৰপৰা মাত্ৰ এখন গাড়ীত গুলিৰ চিন দেখা গৈছিল।

৪. অন্ধই মনিব নোৱাৰে, কিন্তু বোবা নাছিল, গতিকে মুখেৰে খুজিব পাৰিছিল।

© Amrita Bharati, Bharatiya Vidya Bhavan, 1997

৩৫

দ্ৰৌপদীয়ে দেও দেও কৰিবলৈ ধৰিলে। দুৰ্বাসাক আৰু তেওঁৰ সহস্ৰ শিষ্যক কিনো আহাৰ্য্য দিব তেওঁ ? অক্ষয়পাত্ৰ শূন্য। ইপিনে—দুৰ্বাসামুনি বোলা কথা। স্নান-সমাপি আহি যদি আহাৰ্য্য নাপাই শিষ্যসৱৰে সৈতে ফিৰি যায়—তেতিয়া ফিৰিঙতিৰপৰা খাণ্ডৱদাহ নহ'বনে ? —দ্ৰৌপদীয়ে আকৌ কৃষ্ণক সুঁৱৰিলে।

দ্ৰৌপদীয়ে বিয়াকুল হৈ কৃষ্ণক ক'লে, "দুৰ্বাসা মুনি সশিষ্য স্নান সমাপিবলৈ গ'ল, এতিয়া উভতিবৰো হ'ল। অক্ষয়-পাত্ৰত এটিও অন্ন-কণ নাই। কি উপায় ? দুৰ্বাসামুনিক কি ক'ম ? উপায় দিয়া।"

"দুৰ্বাসা মুনিৰ কথা ভগৱানেহে জানিব। পিছে—মই বৰ ভোকাতুৰ হৈ পৰিছোঁ, যি আছে যা আছে—আহাৰ্য্য দিয়াঁ।" কৃষ্ণই দ্ৰৌপদীক ক'লে।

দ্ৰৌপদীয়ে ক'লে, "মই আহাৰ নকৰাহেঁতেন কিছুখিনি অন্ন অক্ষয়-পাত্ৰত থাকিলহেঁতেন। কিন্তু—যেতিয়া আৰু একো নাই—তেতিয়া তুমিও মোৰ পৰীক্ষাকে লৈছানে বাৰু ?"

"মই ভোকত জলা-কলা দেখিছোঁ, আৰু তুমি—এতিয়াহেনে ধেমালি কৰিছা ? তোমাৰ অক্ষয়পাত্ৰত যি আছে যা আছে—তাকে খাবলৈ দিয়া। অক্ষয়পাত্ৰ লৈ আহাঁ।" কৃষ্ণই ততাতৈয়াকৈ ক'লে।

দ্ৰৌপদীয়ে অক্ষয়-পাত্ৰ লৈ আহিলগৈ। অক্ষয়-পাত্ৰৰ এচুকত মাত্ৰ এটা অন্ন-কণা আছিল। কৃষ্ণই সেই অন্ন-কণাটো মুখত ভৰাই ক'লে, "বছ, মোৰ ভোক গুচিল।"

কৃষ্ণই ভীমক মাতিলে, আৰু ক'লে, "ভীম, তুমি গঙ্গাতটলৈ গৈ দুৰ্বাসামুনিক এহিক্ষণতে আহাৰৰ বাবে শিষ্যসৱৰে সৈতে

'শলৰ মাজৰ চেনাৰ'

ইয়ালৈ আহিবলৈ কোৱাগৈ।”

সিপিনে—দুৰ্বাসামুনিৰ, আৰু তেওঁৰ সহস্ৰ শিষ্যৰো ভোক-পিয়াহ নোহোৱা হ'ল। শিষ্যসকলে গুৰু দুৰ্বাসামুনিক ক'লে, “গুৰুবৰ, আমি আৱশ্যকতাতকৈ অধিক আহাৰ কৰা যেন পাইছোঁ। বতিয়াওঁ বতিয়াওঁ লাগিছে। গতিকে—ধৰ্মৰাজৰ তালৈ গৈ আমি আৰু আহাৰ কৰিব নোৱাৰিম।”

দুৰ্বাসামুনিয়ে শিষ্যসকললৈ ক'লে, “আমি ধৰ্মৰাজৰ সৈতে ন্যায়কাৰ্য্য নাই কৰা। তেওঁ এতিয়া যদি আমালৈ ক্ৰুদ্ধ দৃষ্টিৰে চায়—আমি ভস্ম হৈ যাম। এবাৰ অম্বৰীষৰ হাতত মই বেয়াকৈ পৰ্য্যদস্ত হৈছিলোঁ। যি হওক—আমাৰ এতিয়া এটিমাথোন উপায় আছে—ইয়াৰপৰা মানে মানে মনে মনে গুচি যাব লাগিব।”

আৰু—কোৱা মতেই কাম হ'ল, সশিষ্য দুৰ্বাসা মুনি আৰু মুহূৰ্তমানো পলম নকৰাকৈ তাৰপৰা পলাল।

ইপিনে—ভীম গঙ্গাতটলৈ আহিল, কিন্তু তাত কোনো মানুহ-দুনুহ দেখা নাপালে। সামান্যপৰলৈ ৰৈ, চাৰিওফালে চাই, কাকো নাপাই, ভীম উভতি গ'ল, আৰু গঙ্গাতটত কোনো নাই বুলি ক'লে।

ভীমৰ কথা শুনি ধৰ্মৰাজে ভাবিলে: মুনিৰ নাম দুৰ্বাসা, গতিকে—কেতিয়া কি হয়—তাৰ নাই কোনো ভাৰসা।

কৃষ্ণই ধৰ্মৰাজক ক'লে, “দুৰ্বাসামুনি আৰু নাহিব।” কৃষ্ণই ধৰ্মৰাজক দুৰ্বাসামুনিৰ আৰু তেওঁৰ সহস্ৰ শিষ্যৰো ভোক কেনেকৈ গুচিল—ধৰ্মৰাজক বুজাই কোৱাত ধৰ্মৰাজ কিঞ্চিত আশ্বস্ত হ'ল। কৃষ্ণই বিদায় লৈ গুচি গ'ল।

বহুদিনৰ অন্তত এদিন পাণ্ডৱসকল চিকাৰলৈ ওলাল। ওলোৱাৰ আগতে—তেওঁলোকে তৃণবিন্দু নামৰ মুনি এগৰাকীৰ আশ্ৰমত দ্ৰৌপদীক থৈ গ'ল, আৰু লগতে তেওঁ তেওঁলোকৰ পুৰোহিত ধৌম্যকো দ্ৰৌপদীৰ লগত থাকিবলৈ ক'লে।

ঠিক সেইদিনই সাল্ব ৰজাৰ পুত্ৰীৰ পাণিগ্ৰহণৰ বাবে ৰজা সৈন্ধৱ সসৈন্যে ওলাইছিল আৰু অন্যান্য ৰজা পালিৰজাসকলৰে সৈতে সেই তৃণবিন্দুমুনিৰ আশ্ৰমৰ কাষেদিয়েই গৈ আছিল।

তেতিয়া আশ্ৰমত মুনি তৃণবিন্দু, বা আন কোনো নাছিল। সেই নিৰল-নিৰ্জন বনাশ্ৰমত হঠাৎ ৰজা সৈন্ধৱে পৰমাসুন্দৰী দ্ৰৌপদীক

বিজুলী-চমকনিৰ দৰে দেখা পাই ৰথ ৰখাই বৈ দিলে, আৰু কোটিকাস্য নামৰ ৰাজকোঁৱৰক ক'লে, "তুমি সেই সৌন্দৰ্য্যৱতীক দেখা পালাই নহয় —? সেই অপাৰ সৌন্দৰ্য্যৱতীকে দেখা পাই মোৰ মনত উজান-ভাটি লাগিল, কামনাই মূৰ দাঙিল। তুমি সেই সুন্দৰীক সোধাগৈচোন যে তেওঁ কাৰ পুত্ৰী, বা কাৰ পত্নী, আৰু— আঁৰু তেওঁ—তেওঁ মহাৰাণী হৈ সুখেৰে জীৱন যাপিবনে কি—তাকো সুধি আহাঁগৈচোন।"

কোটিকাস্য আছিল নীহ প্ৰকৃতিৰ ৰাজকোঁৱৰ। মান-সন্মানৰ কোনো সামান্য বোধ-শক্তি কোটিকাস্যত নাছিল। কোটিকাস্যই এডেও-দুডেওকৈ দ্ৰৌপদীৰ কাষ চাপিল, আৰু দ্ৰৌপদীক সুধিলে, "হে সৌন্দৰ্য্যৱতী অপৰূপ ৰূপ-পসাৰিণী—তুমিনো কোন ? তুমি কাৰ পুত্ৰী ? তোমাৰ পতি কোন ? তুমি কোন কুলৰ কন্যা ? তোমাৰ নাম কি ? এই অটব্য অৰণ্যত কিয় তুমি অকলশৰীয়া হৈ আছা ? তুমি নোসোধাকৈয়েই কওঁ—মই হ'লোঁ সুৰথ ৰজাৰ পুত্ৰ কোটিকাস্য। মোক সিন্ধুৰ সৌবীৰদেশৰ মহাৰাজ সৈন্ধৱে তোমাৰ খা-খবৰ বিস্তাৰিত জনাৰ মনেৰে মোক তোমাৰ ওচৰলৈ পঠাইছে।

দ্ৰৌপদীয়ে কোটিকাস্যক ক'লে, "আপোনাৰ পৰিচয় মোৰ অজ্ঞাত নহয়। পিছে —মোৰ দৰে কুলনাৰীৰ সৈতে বাক্যালাপ তোমাক নোশোভে। কিন্তু—যিহেতু আপোনাৰ প্ৰশ্নৰ উত্তৰ দিওঁতা ইয়াত আন কোনো উপস্থিত নাই—বাধ্যত পৰিয়েই উত্তৰ দিছোঁ। — মই দ্ৰুপদৰজাৰজী, মোক বহুতে কৃষ্ণা বুলিও মাতে। পান্ডং হ'ল মোৰ পতি। তেওঁলোক চিকাৰলৈ ওলাল, যদিও অল্পতেই আহি পাবহি। তেওঁলোক উভতি নহালৈকে আপোনালোক ইয়াতে থাকক আৰু আমাৰ আতিথ্য স্বীকাৰক, আমি অতিথি-সেৱা কৰি অপাৰ আনন্দ লভিম।"

কোটিকাস্যাই দ্রৌপদীৰ কথা আৰু দ্রৌপদীয়ে কোৱা কথা ৰজা সৈন্ধৱক ভাঙি-পাতি, কিন্তু কিঞ্চিতমান ডাল-পাত জোৰা লগাই ক'লেগৈ।

ৰজা সৈন্ধৱে মন্তব্য কৰিলে, "সেইজনীক মানৱী বুলি মোৰ মনে নধৰে। মই যিযুৰি চকুৰে সেইজনীলৈ চাইছিলোঁ, সেইযুৰি চকুৰে আন একোৱেই আৰু নেদেখা হৈছোঁ।"

সৈন্ধৱৰজাই ৰথ চলাই পাণ্ডৱৰ পৰ্ণশালালৈ আহিল আৰু দ্রৌপদীক ক'লে, "তোমাৰ আৰু তোমাৰ পতিৰ কুশল হওক।"

দ্রৌপদীয়ে ৰজা সৈন্ধৱক জল দিলে, ফল দিলে আৰু তেওঁক সুন্দৰ আসনত উপবেশন কৰিবলৈ ক'লে।

তাৰ পাছত দ্রৌপদীয়ে সৈন্ধৱৰজাক ক'লে, "পাণ্ডৱসকল চিকাৰলৈ ওলাল। কিন্তু অতি শীঘ্ৰেই উভতি আহিব বুলি কৈ গৈছে। আপুনি বিশ্ৰাম লওক, মাংসাহাৰ কৰি যাব।"

"আতিথ্যৰ কথা বাদ দিয়া, তুমি মোৰ ৰথোপৰি উঠাহি। মই তোমাক পত্নীৰূপে ল'ম আৰু আমি দুয়ো সুখ-সাগৰত উটিম। কিয়নো তোমাৰমান ৰূপহীয়ে ৰূপত ঘুণে বিন্ধাকৈ অৰণ্যবাসিনী হৈ আহুকাল ভুঞ্জি থাকিবা ? ব'লা, মোৰে সৈতে ব'লা, জীৱনৰ আনন্দ মনৰ মজা-হিয়া-ওপোচাকৈ উপভোগ কৰিবা।" সৈন্ধৱৰজাই সতৰ-নতৰ কৰিবলৈ ধৰিলে।

শুনি দ্রৌপদী ক্রোধান্ধহেন হৈ উঠিল। তথাপি তেওঁ নিজক চম্ভালি লৈ ভাবি থাকিল যে—এই অজীণ-পাতকীক—এই সলি-সিয়ান সৈন্ধৱক—পাণ্ডৱসকল উভতি নহালৈকে যেনেকৈয়েই নহওক—কথা চোবাই ভোল নিয়াই ইয়াতে গোঁজা-পোতা কৰি ৰাখিব লাগিব। ভাবিলে, কিন্তু নোৱাৰিলে দ্রৌপদীয়ে। জুইহেন খং চম্ভালিব নোৱাৰি দ্রৌপদীয়ে সৈন্ধৱৰজাক ক'লে, "তুমি একেবাৰেই মূৰুখ। মোৰ পতি ইন্দ্ৰতকৈ কম নহয়। তেওঁৰ অগনি-ক্রোধৰ পৰিণাম কি হ'ব পাৰে—তুমি যধা-মূৰুখে তাৰ উমান ল'ব লৰা নাই বুলিহে এইবোৰ বেবেৰিবাং বকিছা।"

"পাঞ্চালী, পাণ্ডৱৰ বিষয়ে পং কথাৰে আমাক পদপাল দেখুৱাবৰ চেষ্টা নকৰি মোৰে সৈতে ৰথত উঠাহি।" সৈন্ধৱৰজাই আদেশৰ ভংগীৰে দ্রৌপদীক ক'লে।

সৈন্ধৱৰাজৰ কথাৰে যেনিবা ঘৃতাহুতি

পৰিল । ক্ৰুদ্ধা দ্ৰৌপদীয়ে কৈ উঠিল,” হেৰা অধম, পাপিষ্ঠ—পাণ্ডৱৰ পত্নীক ইমান সহজতেই তুমি লৈ যাব পাৰিবা বুলি ভাবিছানে ? অৰ্জুনে তোমাক বাণেৰে থকা-সৰকা কৰিব যে—জানিছানে নাই ?”

সৈন্ধৱৰজাৰ অনুচৰসকলে দ্ৰৌপদীক বলেৰে আঁজুৰি আনিব খোজাত দ্ৰৌপদীয়ে চিঞৰি উঠিল, আৰু তেতিয়া সৈন্ধৱৰজাই দ্ৰৌপদীক হাতেৰে ধৰি লৈ ৰথত উঠাই বেগাই ৰথ চলাই পলুৱাই লৈ যাবলৈ ধৰিলে।

দ্ৰৌপদীৰ আৰ্ত চিঞৰ শুনি পুৰোহিত ধৌম্য লৰৰি আহি এই ঘটনা দেখা পাই— সৈন্ধৱৰ ৰথৰ পিছে পিছে লৰৰি গৈ থাকিল।

ৰথৰ পিছে পিছে লৰৰি গৈ থকা ধৌম্যই ৰজা সৈন্ধৱক কৈ থাকিল, “সৈন্ধৱ, তোমাৰ মৰণে চমু চাপিছে । নাৰীৰ ওপৰত বলাৎকাৰকাৰীক ত্ৰিজগতৰ কোনেও ক্ষমা নকৰে—এই কথা সাৰকথা বুলি জানিবা।”

কিন্তু ধৌম্যৰ এনেহেন ধৰ্মকথালৈ সৈন্ধৱৰজাই পৰোৱাই নকৰিলে আৰু ৰথখন তীব্ৰতাৰে চলাবই প্ৰায় বায়ুবেগেৰে উৰি যোৱাদি যাবলৈ ধৰিলে।

তিমানতে পাণ্ডৱসকলো চিকাৰৰপৰা উভতি আহিছিল । তেওঁলোকে তৃণবিন্দুৰ আশ্ৰম পাই, দ্ৰৌপদীক, বা ধৌম্যকো তাত নেদেখি, বহু দূৰৈত বাটৰ ধূলি উৰুৱাই ৰথ এখন তীব্ৰ গতিৰে যোৱা দেখি—উমানতে বিপদৰ কথা গমিলে, আৰু ধৰ্মৰাজৰ আদেশত সেই ৰথৰ ওচৰ চাপিবলৈ মুহূৰ্ততে বিজুলীগতিৰে ৰথ চলাই দিলে।

পঞ্চপাণ্ডৱৰ পঞ্চৰথ পতাল-গাজনি মাৰি চলি থাকিল, আৰু চাওঁতে চাওঁতে সৈন্ধৱৰজাৰ ৰথ-বাহিনীৰ ওচৰ চাপিল । তেওঁলোকে সৈন্ধৱৰ ৰথৰ পিছে পিছে লৰৰি থকা ধৌম্যক একাষবীয়া হ'বলৈ ইংগিতেৰে ক'লে, আৰু তাৰ পাছত সৈন্ধৱ-বাহিনীৰ ওপৰলৈ বৰষুণৰ দৰে কঁড়িয়াবলৈ ধৰিলে।

ৰজা সৈন্ধৱৰ অসংখ্য সৈন্য নিহত হ'ল, আৰু সৈন্ধৱ ৰজাই নিশ্চিত মৃত্যুৰ মুখ দেখি ধাৱৰ নলকঁপা দিয়া হ'ল।

তেতিয়া দ্ৰৌপদীয়ে সৈন্ধৱক ক'লে, “চোৰাঁ, মোৰ পতি আহিব ধৰিছে। এইবাৰ তোমাৰ সৰ্বনাশ হ'ব । তোমাৰ মৃত্যুক আৰু কোনেও ৰুধিব নোৱাৰিব, কিয়নো—এই নাৰকীয় পাপ কাৰ্য্যেৰে তোমাৰ মৃত্যুক তুমি



নিজেই আহ্বানি আনিলা। কিন্তু যদি—যদি তথাপি তুমি যমৰ আলহী হোৱাৰপৰা কথমপি ৰক্ষা পৰা—সেয়া হ'ব তোমাৰ পুনৰজনম।"

তিমানতে সৈন্ধৱৰ সৈন্যহঁতে ফৰিং ছিটিকা দিছিল, ঢেৰ সৈন্যই আহত হৈ আৰ্তনাদেৰে গগন ফালিছিল, আৰু কোটিকাস্যই ফেঁটীৰ মূৰছিঙা লৰ দি কথমপি পলাই সাৰিছিল।

অৱস্থা গমি, মৰণতে শৰণ বিনে আন উপায় নেদেখি, দ্ৰৌপদীক ৰথতে এৰি থৈ, ৰথৰপৰা জাঁপ মাৰি পৰি ৰজা সৈন্ধৱেও লৰ ল'লে, যেনিবা থালীভগা জুয়ে সৈন্ধৱক খেদিবলৈ ধৰিলে।

তেতিয়া ভীমে ধৰ্মৰাজক ক'লে, "অগ্ৰজ, আপুনি আপোনাৰ ৰথত দ্ৰৌপদীক আৰু ধৌমকো উঠাই লৈ তৃণবিন্দু মুনিৰ আশ্ৰমলৈ গৈ থাকক। মই আৰু অৰ্জুনে সৈন্ধৱৰ খবৰ লৈছোঁ।"

"কিন্তু ভীম—" ধৰ্মৰাজে ভীমক ক'লে, "সৈন্ধৱ যিমানেই দুষ্টমতি পাপিষ্ঠ নহওক, তাক সংহাৰ নকৰা। দুঃশলাজনী বিধৱা নহয় যেন—চাবা। গান্ধাৰীক শোকগ্ৰস্তা কৰি নুতুলিবা। এয়া—মোৰ আদেশ।"

এই বুলি কৈ, ধৰ্মৰাজে ভীমক সতৰ্ক কৰিলে।

কিন্তু দ্ৰৌপদীয়ে ঠেহ জুৰিলে : অজীণ-পাতকীৰো পাতকী—শঠাই-নৰকী সৈন্ধৱক মাৰি পেলাব লাগে, নহ'লে অন্যায় অপমানৰ শেল তেওঁৰ অন্তৰত বিন্ধিয়েই থাকিব।

তিনি ক্ৰোশমান খেদি গৈ গৈ—অৱশেষত ভীম আৰু অৰ্জুনে সৈন্ধৱক বন্দী কৰিলে। ভীমে সৈন্ধৱৰ মূৰ খুৰাই দিলে আৰু তাৰ মুখমণ্ডল বিকৃত কৰি পেলালে। আৰু তাৰ পাছত—ভীম আৰু অৰ্জুন ৰথত বহিল, আৰু সৈন্ধৱক তেওঁলোকৰ পদতলত পেলাই লৈ তৃণবিন্দুমুনিৰ আশ্ৰমলৈ লৈ আহি সৈন্ধৱক ধৰ্মৰাজৰ আগত থিয় কৰালে।

ধৰ্মৰাজে বিকৃতমনা সৈন্ধৱৰ বিকৃত মুখমণ্ডললৈ চালে আৰু ক'লে, "আগলৈ এনেহেন কুৰুচিপূৰ্ণ লেতেৰা কাম আৰু কদাপি নকৰিবা। শ্ৰীমন্ত হোৱাঁ, শলৰ মাজৰ চেনাৰ নোহোৱাঁ।" এই বুলি সঁকিউৱাৰ অন্তত ধৰ্মৰাজে চেপাৰ মুখত পৰা-চূণখাৰ হোৱা সৈন্ধৱক তাৰপৰা গুচি যাবলৈ ইংগিত দিলে।

চান্দমামাৰ সম্বাদ-বি-সম্বাদ

ভতৰা-বছৰ



চীনদেশৰ অধিবাসীসকলে তেওঁলোকৰ পুৰাণত উল্লিখিত বিশেষ বিশেষ জন্তুৰ নামেৰে বছৰৰ নামকৰণ কৰিলে। অৱশ্যে—জন্তুৰেপ্রতি প্রতি বছৰৰ নামকৰণ সম্ভৱ নহয়। সেয়েহে—বাৰবিধৰ জন্তুৰ নামেৰে বাৰ বছৰৰ নামকৰণ কৰা হ'ল, আৰু সেই বাৰ বছৰৰ অন্তত পুনৰ প্ৰথমৰপৰা নামকৰণ হ'ব বুলি সিদ্ধান্ত লোৱা হ'ল। ফেব্ৰুৱাৰিৰ ৮ তাৰিখৰপৰা যি বছৰটোৰ আৰম্ভণী হ'ল—তাৰ নাম হ'ল—**বৃষভ-বৰ্ষ**। নতুন বছৰৰ আৰম্ভণীত পৰস্পৰৰ মাজত সম্প্ৰীতিৰ প্ৰকাশ, ন-বস্ত্ৰ, নিমন্ত্ৰণ, বিনোদ-কাৰ্য্যক্ৰম আদি—আৰু লগতে ট্ৰাফিক জ্যামো যথাৰৎ হ'ব। অহা জুলাই মাহত বৃটেইনে হংকং নামৰ ঠাইডোখৰ চীনৰ হাতলৈ প্ৰত্যৰ্পণ কৰিব। এই বাবে চীনদেশৰ সংগীত-নাটক আকাদেমিয়ে সমদল উলিয়াব আৰু লগতে বৃষভ অৰ্থাৎ ভতৰা-বেলুনো উৰুৱাব।

চকলেট-চতিহা

স্যুয়িডেনৰ এখন জাপানী হোটেলে ফেব্ৰুৱাৰিৰ ১৭ তাৰিখে ১৮৮ মিটাৰ দীঘল এটা চকলেট তৈয়াৰ কৰিছিল আৰু এই চকলেটৰ স্বীকৃতি গিনেজ বুক অব্ ৰেকৰ্ডছতো উঠোঁ উঠোঁ হৈছিল। কিন্তু ইতিমধ্যে স্যুইজাৰল্যাণ্ডত ততোকৈ দীঘল—২২১ মিটাৰ ৭২৫ ফুটীয়া দীঘল আৰু ৩ ছে.মি. বহল চকলেটৰ সন্ধান পাই গিনেজৰ বিষয়াসকল তালৈ গৈ ৫০০ জনে খাব পৰা চকলেটটো নিজ চকুৰে চাই আহিলগৈ।

আঁচুৰা-কথা

'টাইগান্স' নামৰ জন্তুৰ কথা বহুতেই জানে। বাঘ আৰু সিংহৰ মিশ্ৰণৰ ফলত টাইগান্সৰ জন্ম। এইদৰেই—জেব্ৰা আৰু গাধৰ মিশ্ৰণৰ ফলত যি নতুন জন্তুৰ জন্ম হৈছে—সেই জন্তুটিৰ নাম হ'ল—আঁচুৰা গাধ। লণ্ডনৰ লিঅ'মিনস্টাৰ চিৰিয়াখানাত আঁচ থকা এই নতুন জন্তু আঁচুৰা গাধই দৰ্শক-ৰাইজক বিৰাটভাৱে আকৰ্ষণ কৰিছে। এই আঁচুৰা গাধৰ আঁচ—কেৱল ঠেঙত।

চান্দমামা ক্ৰোড়পত্ৰ ১০২



ভাৰতৰ শোভা

ৰকগাৰ্ডেন্স

লণ্ডনৰ ক্যু গাৰ্ডেন্স বিৰল উদ্ভিদৰ কাৰণে সুপ্ৰসিদ্ধ। ম্যানহাটানত থকা ন্যুৱৰ্ক ছেণ্ট্ৰ্যাল পাৰ্ক ৭৪০ একৰ বিয়পা এখন উদ্যান—যিখন উদ্যান পৃথিৱীৰ সকলো উদ্যানতকৈ ডাঙৰ। কিন্তু চণ্ডীগড়ত থকা উদ্যান এখন এইবোৰ উদ্যানতকৈ বেলেগ। এই অভিনৱ উদ্যানখন সৰু সৰু শিলগুটিৰে সজোৱা হৈছে। মুঠমাঠ ২০,০০০ সৰু-বৰ বিভিন্ন আকাৰৰ শিলগুটি আছে এই উদ্যানখনত। এই শিলোদ্যানত থকা ধুনীয়াৰো ধুনীয়া বাট-পথ, বিচিত্ৰ দলং আদিয়ে দৰ্শক-ৰাইজৰ মনত বিচিত্ৰ অনুভূতিৰ সৃষ্টি কৰে। ভগা-টুটা কাচৰ টুকুৰাৰে বনোৱা ঘোঁৰা, বান্দৰ, ম'ৰা আদিয়ে যেনিবা জীৱন্তভাৱে দৰ্শককৈ চাই থাকে। নেকচান্দ নামৰ এগৰাকী মেধাৱী মানুহে এই উদ্যানবনৰ ৰূপ-কল্পনা কৰিছিল। ভাৰত চৰকাৰে এওঁক পদ্মশ্ৰীৰে সন্মানিত কৰিলে। দিল্লীৰ চিলড্ৰেন্স মিউজিয়ামত অভিনৱ উদ্যান সৃষ্টিৰ বাবে ভাৰত চৰকাৰে ১৯৮৫ চনত এওঁক দায়িত্ব দিছিল। এওঁৰ সৃষ্ট চণ্ডীগড়ৰ ৰক গাৰ্ডেন্স চাবলৈ দেশ-বিদেশৰপৰা পৰ্য্যটকসকল ঢপলিয়াই আহে।



© 1997 UBC Feature World. All rights reserved

ভাৰতৰ ঋষিকুল

শুকদেৱ

ব্যাস মহৰ্ষিয়ে বেদৰ বিভাজন কৰিছিল, আৰু পঞ্চমবেদ নামেৰে **মহাভাৰত** ৰচিছিল। তপোধনী শুকদেৱ আছিল মহৰ্ষি ব্যাসৰ পুত্ৰ।

শুকদেৱে তেওঁৰ পিতাকৰপৰা প্ৰাথমিক বিদ্যালাভৰ অন্তত দেৱগুৰু বৃহস্পতিৰ শিষ্যত্ব গ্ৰহণ কৰিছিল, আৰু গুৰুৰপৰা বিদ্যালাভৰ অন্তত পিতাকক কৈছিলহি, "মোৰ বিদ্যাভ্যাস সমাপ্ত হ'ল। বেদ-বেদাঙ্গ অধ্যয়ন কৰিলোঁ। এতিয়া মই নিৰন্তৰ তপস্যামগ্ন হৈ থাকিছোঁ। মই সৰ্বসংগ পৰিত্যাগ কৰি নিৰ্বিকাৰ-নিৰ্বিকল্প সময় অতিবাহিত কৰিছোঁ। কিন্তু তথাপি মই সন্তৃপ্তি নোপোৱা হৈছোঁ।"

"তুমি বিবাহিত হৈ গৃহাশ্ৰমত থাকাঁ, পুত্ৰ।" বেদব্যাস ক'লে।

"সেই একেই — সংসাৰত জন্মলাভ, সাংসাৰিক বন্ধন, পীড়া সহন আৰু মৃত্যুৰ শৰণ —কোটি কোটিয়ে যেনেকৈ কৰে জীৱনযাপন—সেই জীৱন মোক নালাগে।" শুকে পিতাদেৱক ক'লে।

ব্যাসদেৱ কিছু সময়লৈ নিৰুত্তৰ হৈ থাকিল আৰু তাৰ পাছত পুত্ৰক ক'লে, "পুত্ৰ, তুমি এবাৰ মিথিলালৈ গৈ জনক ৰজাক দৰ্শন কৰি আহাঁগৈ।"

পিতাকৰ আজ্ঞামতে শুক মিথিলা নগৰলৈ বুলি পদব্ৰজেৰেই ৰাওনা হ'ল। বাট বুলি বুলি গৈ থাকোঁতে শুকে ভাবি থাকিল : পিতাশ্ৰীয়ে কিয় মোক জনকৰজাৰ ওচৰলৈ প্ৰেৰণ কৰিলে ? জনকৰজাই দেখোন দাস-দাসী পৰিবৃত হৈ সাংসাৰিক সুখ-ভোগৰে জীৱন যাপিছে।

যি কি নহওক, শুকে জনকৰজাৰ সৈতে সাক্ষাৎ কৰিলে আৰু জনক ৰজাৰ সৈতে কথোপকথনৰ অন্তত উপলব্ধি কৰিলে যে জনকৰজা সংসাৰত থাকিও সন্যাসী। ৰজা ৰূপে তেওঁ কৰ্তব্য পালিছে, কৰ্মযোগক তেওঁ তেওঁৰ ধৰ্ম হিচাপে লৈছে। জনকৰজা হ'ল পদুমপাতত পানীৰ টোপালৰ তুল্য। এই নিগূঢ় জীৱন-সত্যক জানি শুক পিতাকৰ ওচৰলৈ উভতি আহিল।

সাৰ্থক মানৱ-জীৱন অতিবাহনৰ বাবে জনকৰজাৰ জীৱন হ'ল আদৰ্শ-জীৱন—এই পৰমসত্যক শুকদেৱে জীৱনতো বিস্মৃত হোৱা নাছিল।

জ্ঞান-নেজ্ঞান

স্যামন মাছৰ মাত্রিতা

'স্যামন' নামৰ মাছ জলজলীয়া পানীত ওপজে আৰু এই পানীতে দুবছৰমানলৈ থাকে। তাৰপাছত অলপ ডাঙৰ-দীঘল হৈ সাগৰলৈ যায়, আৰু কিছুদিনৰ অন্তত সন্তান-উৎপাদনৰ বাবে পুনৰ সেই ওপজা ঠাইলৈকে উভতি আহে আৰু তাতেই কণী দিয়ে।

ইন্দ্ৰধনুষ

চৰাই-চতিহা

ছিংগাপুৰৰ 'জুৰাংগ বাৰ্ড পাৰ্ক'ত মুঠমাঠ ছহেজাৰবিধৰ আঠ হেজাৰ চৰাই আছে। এই বাৰ্ড পাৰ্ক সাজোঁতে আশীলাখ ছিংগাপুৰী ডলাৰ লাগিল। এই বাৰ্ড পাৰ্কত বৰ বৰ সৰোবৰ আছে, যিবোৰ সৰোবৰ চৰাইৰ চিঁচিঁয়নিৰে মুখৰ। বিধোবিধ বিৰিখৰ সেউজ-সামৰোহৰ মাজত—পাৰ চৰাই, শিঙাল বগলী (হৰ্নবিল), পেলিকান আদিৰ সদায় 'অল স্টাৰ বাৰ্ড শ্বো' চলিয়েই আছে মন-জুৰ কৰা জুৰাংগ নামৰ বাৰ্ড পাৰ্কত।



দুখৰ কাৰণ — দুৰাশা

অৱতাৰ নামৰ মানুহজন আছিল গাঁৱৰ মূধাফুটাসকলৰে লগ-ভাগ। কিন্তু তথাপি অৱতাৰ তুষ্ট নহয়, কিয়নো তওঁ তেওঁৰ মনত ভবামতে ধন-ধানৰ গৰাকী হ'ব পৰা নাই।

অৱতাৰৰ আঠহালিচা খেতি-মাটি আছিল, আৰু সেই মাটিখিনি আছিল সাৰুৱা। গতিকে—ওপৰঞ্জৰপৰা ওনা-ওনে আৰ্জিছিলও অৱতাৰে। কিন্তু তথাপি অৱতাৰে নিজক ভাগ্যহীন বুলি ভাবিছিল।

এবাৰ অৱতাৰে গাঁৱতে এগৰাকী জ্ঞান-যোগী বৰাগীক লগ পাই সুধিলে যে—দুনীয়াখনত ধনিক আৰু দুখীয়া কিয় হয়, এই প্ৰভেদ-পাৰ্থক্যৰ কাৰণ কি।

জ্ঞান-যোগী-বৰাগীয়ে ক'লে যে—মানুহে কৰ্মানুসাৰে, নিজৰ শক্তি সামৰ্থ্য অনুসাৰে, আৰু দেশ-কাল-পৰিস্থিতি অনুসাৰেহে ধনিক বা দৰিদ্ৰ হয়।

"কিন্তু—হে মহাত্মা, ভাগ্যৱন্ত হ'ব পৰাকৈ কোনো মন্ত্ৰ-তন্ত্ৰ আপুনি দিব পাৰিবনে ?" অৱতাৰে বৰাগীক সুধিলে।

বৰাগীয়ে অৱতাৰক বেহা-বেপাৰত ধৰিবলৈ ক'লে, কিন্তু অৱতাৰে ক'লে যে বেহা-বেপাৰ তেওঁৰাদ্বাৰাই নহ'ব। তেতিয়া জ্ঞান-যোগী বৰাগীয়ে অৱতাৰক কলাবিদ হ'বলৈ কোৱাত অৱতাৰে এই বিষয়তো তেওঁৰ অক্ষমতা প্ৰকাশ কৰিলে।

তেতিয়া বৰাগীয়ে অৱতাৰক ক'লে, "তোমাৰ দেখোন ধানৰো অভাৱ নাই ধনৰো অভাৱ নাই। তুমি আয়মৰেই জীৱন অতিবাহন কৰি আছা। আৰুনো কি লাগে তোমাক ? ইয়াতোকৈ অধিক যদি লাগে—তাৰ নাম কিন্তু দুৰাশা।"

"সকলোটিয়েই ডাঙৰ হ'ব খোজে। আৰু—ডাঙৰ হোৱাৰ আশাক দুৰাশা বুলি ক'ব নোৱাৰি। ভাগ্যই যদি সহায় কৰে, সকলো সম্ভৱ।" অৱতাৰে জ্ঞান-যোগীক জ্ঞান দিলে।

"নিজৰ সামৰ্থ্য বিনে যদি ভাগ্যৰ উদয় হয়, তেনেহ'লে সেই ভাগ্য কদাপি স্থায়ী নহয়। আৰু—কেৱল ভাগ্যৰ বলেৰে ডাঙৰ হোৱাৰ আশাক—দুৰাশা বুলিয়েই ক'ব লাগিব। মোৰ কথা যদি বিশ্বাস নকৰিছা, তেনেহ'লে তোমাক মই চোৰদেৱৰ মন্ত্ৰ শিকাই দিম, যি চোৰদেৱে তোমাক তোমাৰ ইচ্ছামতে ধন দিব পাৰিব।" জ্ঞান যোগীয়ে ক'লে।

শুনি—অৱতাৰৰ মনত উজান-ভাটি লাগিল। অৱতাৰে বৰাগীক টানৰো টানকৈ ধৰিলে—এই মন্ত্ৰ এতিয়াই শিকাই দিব লাগে।

বৰাগীয়ে-মিচিকীয়াই হাঁহিৰে ক'লে, "কিন্তু আগতে চোদেৱৰ বিষয় জানি লোৱা আৱশ্যক। শুনা তেন্তে—।"

"চোৰদেৱে ধনিকৰ ধন নোবোলা-নোকোৱাকৈ লয়, আৰু সেই ধন দুখীয়াহঁতক দিয়ে। কিন্তু এই ধন দুখীয়াহঁতৰ ওচৰত মাত্ৰ এশ দিনৰ বাবে থাকে। এশ দিনৰ ভিতৰত এই ধন খৰচ নকৰা হ'লে চোৰদেৱে সেই ধন পুনৰ লৈ যায়, আৰু আন কোনোবা দুখীয়াক দিয়ে। চোৰদেৱে যিকোনো মানুহৰ আগত মাত্ৰ এবাৰলৈ দেখা দিব, আৰু মাত্ৰ এবাৰৰ বাবেহে ইচ্ছা পূৰাব। কিন্তু যিহঁতৰ মাজত অত্যাশা-দুৰাশা আছে, সিহঁতক চোৰদেৱে সহায়-তহায় নকৰে।"

চোৰদেৱৰ সম্পৰ্কে এইখিনি শুনাৰ অন্ততো অৱতাৰে মন্ত্ৰ শিকিবলৈ আগ্ৰহ প্ৰকাশ কৰা দেখি জ্ঞান-যোগী বৰাগীয়ে অৱতাৰক মন্ত্ৰ শিকাই দিলে, আৰু ক'লে, "তুমি কাইলৈ উপজিপুৱাতে উঠি স্নান-কাৰ্য্যাদি সামৰি এই মন্ত্ৰোচ্চাৰণ কৰিবা। তেতিয়া চোৰদেৱে তোমাক দেখা দিবহি।"



বৰাগীৰ কথাখিনি শুনি, বৰাগীক সাষ্টাংগে প্ৰণাম কৰি, অৱতাৰ ঘৰলৈ উভতি আহিল। দিনৰ ভাগত অৱতাৰে কেৱল পাইচাৰি কৰি থাকিল, ৰাতিৰ পৰতেও অৱস্থা একেই হ'ল, আনকি খাৱন-শোৱনো নহ'ল। তাৰ পাছত—যেতিয়া এই উৱাই ৰাতি পুৱাই গ'ল, তেতিয়া স্নানাদি সামৰি, অৱতাৰে মন্ত্ৰ মাতি থাকিল।

আৰু—চাওঁতে চাওঁতে এক ধুমক'লা দেৱতাৰ আৱিৰ্ভাৱ হ'ল। এই দেৱতাই অৱতাৰক ক'লে, "মই চোৰদেৱ। কোৱাঁ, তোমাক কিমান ধন লাগে।"

নধৰ-নপৰ লগা অৱতাৰে ভয়-ভকতিৰে



সৈতে চোৰৰ দেৱতাক সাষ্টাংগে প্ৰণাম কৰিলে আৰু ক'লে, "হে প্ৰভু ! মোক মুঠেই এমুঠি —কৌটি মুদ্ৰা লাগে।"

"দিয়া হ'ব, নিশ্চয়েই দিয়া হ'ব। কিন্তু— ইমান ধন তুমি খৰচ কৰিব পাৰিবানে ? আৰু—থ'বাইবা ক'ত ?" চোৰ-দেৱতাই অৱতাৰক সুধিলে।

"হে প্ৰভু, সৌ বাকচটোত থৈ দিলেই হ'ব।" অৱতাৰে চোৰদেৱক এটা প্ৰকাণ্ড বাকচ দেখুৱালে।

"ঠিক আছে, কাইলৈ বাকচটো খুলি চাবা।" এই বুলি কৈয়েই চোৰদেৱ নিমিষতে নোহোৱা হ'ল।

এই সকলো কথা-কাণ্ডয়েই অৱতাৰৰ মনত সপোন যেন লাগিল। সুৰুযে ভূমুকি নমৰাৰ লৈকে অৱতাৰ অশান্ত হৈ থাকিল, টোপনিৰ কাষেদিও নোযোৱা হ'ল, সৰু কোঠাটোতে পাইচাৰি কৰিয়েই উৱাই ৰাতি পুৱাই—সেই প্ৰকাণ্ড বাকচটোৰ সাঁফৰ দাঙি অবাক-হতবাক অলৰ-অচৰ শিলহেন হৈ থিয় হৈ থাকিল।

ধেই দাও বুলিলেই হেনো মণিকূট নাপায়, পিছে — অৱতাৰে ভাবিলে — পায়ো দেখোনি, পালোঁ দেখোন !

ইমান ধন !

ইমান ধানেৰে দৌলেই বান্ধিবনে মৰিশালি সাজিবনে ধনেৰে দঁতাল হাতীকে পোনাব— একো স্থিৰ কৰিব নোৱাৰি অৱতাৰে ধুপুচকৈ বহি দিলে তাত। এই অপৰিমিত ধনেৰে যে তেওঁ আৰু তেওঁৰ অহা কেইবাপুৰুষেও বহি-খোৱা ফুকন বোলাব পাৰিব—সেই কথাত অৱতাৰৰ মনত সন্দেহৰ লেশমানো নাথাকিল। কিন্তু এই বিষয়ে অৱতাৰে কাকো একো নক'লে।

তাৰ পাছত অৱতাৰ সুখৰ সোঁতত উটি থাকিল। তেওঁৰ মনৰ ৰং বাহিৰতো নোলোৱাকৈ নাথাকিল। অৱতাৰৰ মাক-দেউতাক-পৰিবাৰে অকস্মাৎ অৱতাৰৰ অলিয়া-বলিয়া ভাও-ভংগী চাই অবাকেই মানিলে। হঠাৎ অৱতাৰৰ ইমান আনন্দৰ কিনো কাৰণ হ'ল ?

অৱতাৰে এই বিপুল ধনৰ কথা ধানমানো কাকো-কাকপক্ষীকো নক'লে। প্ৰতিদিন ধলপুৱাতে এবাৰকৈ কোঠাটো খোলে, বাকচটোৰ সাঁফৰখন দাঙে, ধনৰ দ'মলৈ চায়,

আৰু দিনে-নিশাই এই পাই-ধন পৰ দি ধনৰ দাসত্ব কৰে। কথা ইমানেই।

এইদৰে চলি থাকিল। অৱতাৰে এই ধনৰ দ'মৰপৰা এটি মুদ্ৰাও খৰচ নকৰা হ'ল। ধনখিনি যে তেওঁৰ—এয়ে তেওঁৰ পক্ষে আমায়া সুখৰ কথা।

কিন্তু ঠিক এশ দিনৰ অন্তত, এশ এদিনৰ দিনাই, সেই ধন জাদুৰ দৰে নোহোৱা হ'ল!

আৰু অৱতাৰে জ্ঞান-যোগী বৰাগীক বিচাৰি বলিয়াৰ দৰে ওলাই পৰিল। আক-তাক সুধি অৱতাৰে জানিলে যে—সেই জ্ঞান-যোগী বৰাগী মথুৰানগৰলৈ গৈছে। অৱতাৰে তাৰেপৰাই মথুৰালৈ বুলি ৰাওণা হ'ল।

মথুৰানগৰ পাই, কেইবাদিনো ধৰি বিচাৰিও অৱেতাৰে জ্ঞান-যোগী বৰাগীক তাত নাপালে। কিন্তু তাত বলৰাম নামৰ মানুহ এজনৰ লগত অৱতাৰৰ দেখাদেখি হ'ল। বলৰামে অৱতাৰক ক'লে, "কিমান যে বিচিত্ৰ এই জগত, আৰু জগতৰ কথা-কাণ্ড। মই তোমাৰ ওচৰলৈ যাম বুলি ভাবি থকাতে ভগৱানে ইয়াতে তোমাক আনি দিলে!"

"মোৰ ওচৰলৈ—কিয় যাবা বুলি ভাবিছিলা?" অৱতাৰে বলৰামক সুধিলে।

"পাহৰিলাইনে?—তোমাৰ ল'ৰাৰ লগত মোৰ ছোৱালীজনীৰ—নিৰুপমাৰ বিয়াখন—তুমি নগদে বিছ হেজাৰ খোজাত মই দিব নোৱৰা হৈছিলোঁ। তেতিয়া ইমানখিনি ধন আছিল মোৰ পক্ষে সপোনৰো বাহিৰ। পিছে—এতিয়া মই বিছ কিয় পঞ্চাছ হেজাৰো হেলাৰঙেই দিব পাৰিম। গতিকে—"

অৱতাৰে বলৰামক হাত দাঙি ৰখালে আৰু সুধিলে, "হঠাৎ ইমান ধনৰ গৰাকী হ'লা যে—কথানো কি?"

"এই ধন—জ্ঞান-যোগীৰ কৃপাৰেহে



পালোঁ মই।" বলৰামে সুখৰ হাঁহিৰে ক'লে।

"বাৰু, আমি পাছত এই বিষয়ে কথা হ'ম। তাৰ আগতে—ময়ো জ্ঞানযোগীৰ ওচৰলৈ যাম ; তেওঁক সুধিবলগীয়া আছে।" অৱতাৰে ক'লে। বলৰামে অৱতাৰক জ্ঞানযোগীৰ ওচৰলৈ লৈ গ'ল। তিমানতে জ্ঞানযোগীয়ে সেই ঠাই। এৰি আন ঠাইলৈ যাবলৈ সাজু হৈ আছিল। যি কি নহওক — জ্ঞানযোগীয়ে অৱতাৰৰ কথা ধৈৰ্য্যৰে শুনিলে আৰু তাৰ পাছত ক'লে, "দুৰাশাৰ গাঁতত নোসোমাবলৈ মই তোমাক বাৰে বাৰে কৈছিলোঁ। কিন্তু তুমি শুনিও নুশুনা হ'লা। এই কাৰণেই চোৰদেৱৰপৰা তুমি কোনো ফইদা নোপোৱা হ'লা।"

অৱতাৰে বেজাৰ মুখেৰে জ্ঞানযোগীক সুধিলে, "হে মহাত্মা, প্ৰকৃতপক্ষে—কি হৈছিল, কিয় এনেকুৱা হৈছিল—ক'বনে ?"

"শুনা, তুমি তোমাৰ প্ৰকৃত আৱশ্যকতাৰ জোখাৰে খোজাহেঁতেন—চোৰদেৱে এই ধন লৈ নগ'লহেঁতেন। অতি লোভ কৰিহে ভুল কৰিলা। আৰু—যিওবা পালা—শওদিনতো এটা মুদ্ৰাও খৰচেই নকৰিলা। গতিকে—চৰ্তমতে চোৰদেৱে চোৰদেৱৰ কাম কৰিলে।"

বলৰামে কৈ উঠিল, "তেনেহ'লে—মোৰখিনিও নোহোৱা হ'ল নিশ্চয়। যাওঁ মই, চাওঁ গৈ—"

এই বুলি কৈ, বলৰামে তাৰপৰা গুচি যাবলৈ খোজ লোৱাৰ লগে লগে অৱতাৰে বলৰামক ৰখাই কৈ উঠিল, "চিন্তা নকৰিবা। তোমাৰ ছোৱালীজনীক মই বোৱাৰী হিচাপে ল'ম। যৌতুকৰ কোনো দৰ্কাৰ নাই। আজিৰ ধন কাইলৈ নাথাকে, কিন্তু আজিৰ মন যেন চিৰটিদিন থাকে। ধনৰ দুৱাৰ ঢুকি ফুৰাতকৈ মনৰ দুৱাৰ মুকলি কৰাৰ চেষ্টা দিয়াহে ভাল। মই চোৰদেৱৰ ধনৰ দুৰাশে এৰিলোঁ, কিয়নো —এই কথা সাৰকথা বুজি পালোঁ যে—আমাৰ দুখৰ কাৰণ—দুৰাশা। মই তোমাকো কওঁ—এই মুহূৰ্তৰেপৰা তুমিও এৰি দুৰাশা নিজৰ ওপৰত কৰাঁ ভাৰসা।"

তাৰপৰা গুচি যোৱাৰ আগতে জ্ঞানযোগীয়ে অৱতাৰক আত্মজ্ঞান দি গৈছিল, আৰু সেই আত্মজ্ঞানেৰে আগলৈ অৱতাৰে দুৰাশা এৰি দুখৰ সাগৰ পাৰ হৈ সৎ আশাৰ সেন্দূৰীয়া আলি পোৱা হৈছিল।



বলৰ বৰাই

গৰমপানী নামৰ মহাৰণ্যৰ ওচৰত থকা সৰুকৈ গাঁও এখনত এজন বলীয়ন্ত মানুহ আছিল। মানুহজনৰ নামো আছিল বলৱন্ত। বলৱন্তই নিজক গাঁৱৰ বা দেশৰ তো হয়েই—জগতৰো সৱাতোকৈ অধিক বলী বুলি ভাবিছিল। কিয়নো—বলৱন্তই অৰণ্যৰপৰা শুকান খৰি বুটলি এবাৰতে মূৰৰ ওপৰত উঠাই যিমান খৰিকাঠ কঢ়িয়াই আনিব পাৰিছিল, সিমান দূৰৰে কথা, তাৰ তিনিভাগৰ এভাগো কোনেও কঢ়িয়াই আনিব পৰা নাছিল। আৰু সেইহে বলৱন্তই তাৰ ঘৈণীয়েক বিদুলীক কৈছিল, "ময়েই হ'লোঁ কলিযুগৰ ভীম। নহ'লেনো ইমান ডাঙৰ খৰিকাঠৰ দ'মটো কঢ়িয়াই আনিব পাৰোঁনে মই?"

"ভীম? তুমি—?" বিদুলীজনীয়ে কৈছিল, "আচল ভীমৰ আগত তুমিনো কি? তোমাৰ বল-শক্তি নাই বুলি নকওঁ, সেই বুলি—তুমি কোনো মহাবলীও নহয়।"

বলৱন্তয়ো নিজক বলীশ্ৰেষ্ঠ বুলি যহাইছিল, আৰু ঘৈণীয়েক বিদুলীয়েও সদায় তেনেকৈয়েই উত্তৰ দিছিল।

আন এদিনও যেতিয়া একেধৰণেই বচ-বাচ হ'ল, তেতিয়া বলৱন্তই তাৰ ঘৈণীয়েক বিদুলীক ক'লে, "কেৱল কথা পাগুলি কি হ'ব, নাল এৰি আচললৈ আহাঁ। মাতোকৈ মহাবলী কোনোবা আছে যদি—দেখুৱাব লাগে, তেহে তোমাৰ কথা মানি ল'ম।"

কিছুদিনৰ পাছত দেশখনক খৰে কোবোৱাত বিশেষকৈ খোৱাপানীৰ বৰ নাটনি হ'ল। বহুতেই দূৰ-দূৰণিৰপৰা পানী কঢ়িয়াই আনিবলগা হ'ল। বিদুলীৰ বেলিকাও তাৰ ব্যতিক্ৰম নহ'ল। গাঁৱৰে দ' কুঁৱাটোৰপৰা পানী আনিবলৈ কলহ এটা লৈ বিদুলী তালৈ গ'ল। গৈ, ৰছীৰে বান্ধি কলহটোকে কুঁৱাৰ ভিতৰলৈ নমাই দিলে, আৰু কলহটোত পানী ভৰাই ওপৰলৈ উঠাই আনিবলৈ গাৰ বলেৰে

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

আঁজুৰিবলৈ ধৰিলে। কিন্তু—কি হ'ল কোৱা নাযায়—বিদুলীয়ে তাইৰ সৰ্বশক্তিৰে চেষ্টা কৰিও কুঁৱাৰপৰা কলহটো উঠাই আনিব নোৱাৰিলে।

এনেতে বিপৰীত ফালৰপৰা কোলাত সৰু ল'ৰা এটাৰে সৈতে কোনোবা এজনীক আহি থকা দেখি বিদুলী ৰ'ল। সেইজনীয়ে বিদুলীক সুধিলে, "কুঁৱাত পানী নাইনে কি ?"

"ন্-নহয়, কুঁৱাত পানী আছে। কিন্তু কলহটোত পানী ভৰাই একোপধ্যেই কুঁৱাৰপৰা উঠাই আনিব পৰা নাই মই।" বিদুলীয়ে ক'লে মানুহজনীক।

"হয়নে—? ব'লা মোৰ লগত, যিমান পানী লাগে তোমাক মই কুঁৱাৰপৰা উঠাই দিম।" মানুহজনীয়ে ক'লে আৰু কুঁৱাৰ কাষ চাপিলে। মানুহজনীৰ কোলাত যি সৰু ল'ৰাটো আছিল, সেই ল'ৰাটোৰেই ৰছীডালত ধৰি পানীৰে সৈতে বিদুলীৰ কলহটো হেলাৰঙে কুঁৱাৰপৰা উঠাই আনিলে।

তাৰ পাছতো সেই সৰু ল'ৰাটোৱে কেনেকৈ যে তাৰ মাকক কলহ-কলহ পানী কুঁৱাৰপৰা তুলি দিলে—বিদুলীয়ে তাৰ একো তোলা-মহা নাপালে।

আৰু তাতোকৈ আচৰিত কথা—পিয়াহ-দঁতা ল'ৰাটোৰ এই কামত তাৰ মাকে কিন্তু মুঠেই আচৰিত নামানিলে। ল'ৰাটোৱে লাগেমানে পানী তুলি দিলে, সিহঁত দুয়োজনীয়েই কুঁৱাৰ পাৰতে গা-ধুলে, কলহ ভৰাই পানী ল'লে, আৰু তাৰ পাছতহে উভতি খোজ ল'লে। গৈ থাকোঁতে মানুহজনীৰ নানান খা-খবৰ ল'লে বিদুলীয়ে।

এই মানুহজনীৰ গিৰিয়েকৰ নাম হ'ল অপৰাভীম। গৰমপানী নামৰ অৰণ্যৰ সিপিঠিত সিহঁতৰ ঘৰ। কেৱল মানুহজনীৰ এই পিয়াহ-



দঁতা ল'ৰাটোৰেই নহয়, তাইৰ গিৰিয়েকো মহাবলী—ইত্যাদি কথা খৰচি মাৰিয়েই জানি ল'লে বিদুলীয়ে।

আৰু ঘৰ পাই কথাখিনি বিদুলীয়ে বলৱন্তক ভাঙি-পাতিয়েই ক'লে।

বলৱন্তই কপালৰ গাঁঠি থোপা কৰি ক'লে, "হয়নে ? মোতোকৈ বলী—হয়নে ঔ ? ক'ৰবাৰ কোনোবাই নিজক অপৰাভীম বুলি যহাইছেহেনে ? দেখা যাব—সি মাহখোৰা কিমানৰ কি।"

কিন্তু বিদুলীয়ে বলৱন্তক এইবোৰ কথা মনতো নানিবলৈ দঢ়াই দঢ়াই ক'লে। তাই ক'লে, "যাৰ পিয়াহ-দঁতা ল'ৰা এটাৰ গাতে হেজাৰ হস্তীৰ বল, তাৰ লগত লাগিলে—ভাবিছানে কি হ'ব পাৰে ফল ?"

কিন্তু বিদুলীৰ কথাই কোনো গুণ নিদিলে। পাছদিনা হাতত ধনু-কাঁড়, তলোৱাৰ আদি লৈ, বিদুলীকো লগত লৈ, বীৰৰ ওপৰত বীৰ গজিবলৈ বলৱন্ত অপৰাভীমক বিচাৰি ওলাল। পিছে—অপৰাভীমক এহাত চাই লোৱাৰ-এশিকা দিয়াৰ আগতে বলৱন্ত সেই কুঁৱা-ৰহস্য উদ্ধাৰিবলৈ কুঁৱাৰ ওচৰলৈ গ'ল।

বলৱন্তই কলহ এটা কুঁৱালৈ নমাই দিলে, আৰু কলহটো পানীৰে পূৰ্ণ কৰি বাঁওহাতেৰে ৰছীত ধৰি আঁজুৰিলে ; কিন্তু কলহটো কুঁৱাৰাপৰা এআঙুলিমানো নুঠিল। তাৰ পাছত দুয়োখন হাতেৰে দেহাৰ সৰ্বশক্তিৰে কলহটো উঠাই আনিবলৈ কিমান যে চেষ্টা দিলে—কিন্তু সেই কলহটো কুঁৱাৰ ভিতৰতে থাকিল।

ঠিক সেই সময়ত অপৰাভীমৰ ঘৈণীয়েকো তালৈ আহিল সেই সৰু ল'ৰাটোক কোলাত লৈ। এইবাৰ বলৱন্তই মৰোঁ-জীওঁ-সোঁ-আধিকৈ কলহটো কুঁৱাৰপৰা উঠাই আনিবলৈ চেষ্টা কৰাত কলহটোৰেই বলৱন্তক কুঁৱাৰ



ভিতৰলৈ টানি লৈ যাবলৈ ধৰিলে। যেতিয়া বলৱন্ত কুঁৱাৰ ভিতৰলৈ পৰোঁ পৰোঁ হ'ল, তেতিয়া সেই পিয়াহ -দঁতা ল'ৰাটোৱে তাৰ বাঁওহাতেৰে বলৱন্তক টানি ধৰিলে বুলিহে বলৱন্তই কুঁৱাত পৰি মৰাৰপৰা কথমপি ৰক্ষা পালে। তাৰ পাছত সেই ধানমান ল'ৰাটোৱে কুঁৱাৰপৰা কলহটো উঠাই আনিলে।

বিদুলীয়ে গিৰিয়েকক ক'লে, "চুপচাপ ঘৰলৈ ব'লা, এতিয়া নিশ্চয় বুজ পালা?"

বলৱন্তই ক'লে, "নিশ্চয় কিবা জাদু-টোনা আছে এই কুঁৱাত। ঠিক হ্যায়, তথাপি মই অপৰাভীম কোন আৰু কি—চাই ল'মেই।"

"তোমাৰ কপালৰ আঁক মইনো কেনেকৈ মচিম? হ'বলগীয়া হ'বই, পিছে ক'বলগীয়া ক'লোঁ, শুনা-নুশুনা মনা-নমনা তোমাৰ কথা।" বিদুলীয়ে ক'লে আৰু খঙতে গিৰিয়েকক এৰি ঘৰলৈ বুলি খোজ ল'লে।

বলৱন্তই অপৰাভীমৰ ঘৈণীয়েকৰ লগ লাগি সিহঁতৰ ঘৰলৈ বুলি খোজ-লোৱাত অপৰাভীমৰ ঘৈণীয়েক ভীমাই বলৱন্তক ক'লে, "তুমি আমাৰ তেওঁক বিচাৰি আমাৰ ঘৰলৈ নোযোৱাই ভাল। তেওঁ চিকাৰলৈ ওলাল, কিন্তু এতিয়াই উভতি তোমাক দেখামাত্ৰেই তেওঁ গিলি খাব। মানুহৰ মঙহত তেওঁৰ লোভ।"

কিন্তু তথাপি বলৱন্ত গুচি নগ'ল আৰু ঠিক তেতিয়াই ধুমুহা অহাদি কিবা এটা হাবি ফালি ফালি আহি থকা দেখি অপৰাভীমৰ ঘৈণীয়েকে বলৱন্তক জোপোহা এটাৰ ভিতৰলৈ ঠেলি দিলে আৰু তাতে লুকাই থাকিবলৈ ক'লে।

ধুমুহাৰ নাম অপৰাভীম। অপৰাভীমে তাৰ ঘৈণীয়েকক ক'লে, "হাতীৰ মঙহৰ জোল বনালিনে? নহ'লে আজি তোকে খাম।"

জোপোহাৰ মাজৰপৰা অপৰাভীমক দেখা পাই বলৱন্তই বেঙে-মূতা দিলে। এতিয়াহে সি গমিলে—তাতকৈ বলীৰ নাম কি আৰু কোনখন ধুবুৰীত থাকে সি।

"হতীৰ মঙহৰ আঞ্জা ৰান্ধিলোঁ, খোৱাঁহি।" ভীমাই ক'লে

অপৰাভীমে ক'লে "কথানো কি ক'চোন—? ঠাইডোখৰত আজি—মানুহ-মানুহ গোন্ধাইছে কিয় অ'—?"

অপৰাভীমে যেতিয়া হাতীৰ মঙহৰ আঞ্জা খাই আছিল, তেতিয়া এছেগত সেই জোপোহাৰ কাষলৈ গৈ বলন্তক ক'লে যে খোৱা-বোৱাৰ অন্তত তাইৰ গিৰিয়েকে

টোপনিত লাল-কাল দিব, তেতিয়া বলৱন্তই ইয়াৰপৰা গুচি যাব লাগিব, নহ'লে নিশ্চয় বিপদত পৰিব। টোপনিত লাল-কাল দিয়া মাত্ৰেই তাই চাকি এটা জ্বলাই ঘৰৰ বাহিৰত থৈ দিব, এইয় হ'ব পলোৱাৰ সময়ৰ সংকেত।

বলৱন্তই ক'লে, "মই কিখিনি যে ভুল কৰিলোঁ ইয়ালৈ আহি! এতিয়াহে মোৰ কিছু আকল-বুধি হ'ল, আৰু ভেমো গ'ল।"

তাৰ পাছত মাজনিশামানত চাকিৰ পোহৰ দেখামাত্ৰেই বলৱন্তই সেই জোপোহা ফালি ওলাই আহি ফেটীৰ মূৰ ছিঙা লৰ ল'লে। কিন্তু ক্ষন্তেকমানৰ অন্তত অপৰাভীমো বলৱন্তৰ পিছে পিছে আহি থাকিল।

প্ৰাণটাকি লৰৰি লৰৰি এসময়ত বলৱন্ত ভাগৰি পৰিল আৰু অৰণ্যৰ সোঁমাজত এক বিশালদেহী মানুহৰূপী ৰাক্ষসক দেখা পাই থমকি থিয় হৈ থাকিল। এই ৰাক্ষসটোৰ ঘৰৰ চাৰিওফালে বিভিন্ন জন্তুৰ হাড় সিঁচৰতি হৈ থকা দেখা পাই বলৱন্তই ভাবিলে: এইবাৰ তাৰ ৰক্ষা নাই, আগফালেও যি পিছফালেও সি, ৰামে মাৰিলেও মৰণ, ৰাৱণে মাৰিলেও মৰণ।

এই ৰাক্ষসটোৱে পলৰীয়া বলৱন্তক সুধিলে, "তুমি কোন? লৰৰিছা কিয়? কোনে তোমাক খেদিছে?"

এক মহাবলীয়ে মোক খেদি আহিছে।" বলৱন্তই কঁপি কঁপি ক'লে।

"ঠিক আছে, তাক আহিবলৈ দিয়া। মই তাক টিলিকিতে মাৰি পেলাম।"

"আৰু সেই মুহূৰ্ততে অপৰাভীম তালৈ আহি পালেহি। আৰু দুয়োটা ৰাক্ষসৰ মাজত লাগিল তয়া লাগিল ময়া। ৰাতি পুৱাল, কিন্তু দুই দানহৰ যুঁজ চলি থাকিল। হঠাৎ দুয়োটা দানৱেই আকাশলৈ বুলি উৰা মাৰিলে, আৰু মেঘৰ আঁৰত নোহোৱা হৈ দিলে। কিন্তু সিহঁত দুটাৰ গৰজন বলৱন্তৰ কাণত পৰি থাকিল।

সিহঁত দুটাৰ যুঁজ-বাগৰ সময়ত বলৱন্ত এনোপা গছৰ মূধত উঠিছিলগৈ, এইবাৰ নামি আহিল, আৰু পোনে পোনেই ঘৰলৈ আৰু ঘৰিণীলৈ বুলি লৰৰি থাকিল।

এই ঘটনাৰ অন্তত বলৱন্তই আৰু কেতিয়াও শক্তিৰ বৰাই কৰা নাহিল। আকাশত যেতিয়া বিজুলীয়ে চমকিছিল, তেতিয়া, সেই দানহ দুটাৰ মাজত তেতিয়াও যুঁজ চলি-থকা বুলি বলৱন্ত-বিদুলীয়ে ভাবিছিল।

ফোটো-নামকৰণ প্ৰতিযোগিতা : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৭ চনৰ অগাস্ট সংখ্যাত ওলাব

K. SUBRAHMANYAM

MAHANTESH C. MORABAD

* ফোটো-নামকৰণ দুই-তিনিটা শব্দেৰে হ'ব লাগিব। * প্ৰতিযোগিতা 'কোন মাহৰ বাবে' উল্লেখ কৰিব লাগিব। * ১৯৯৭ চনৰ জুন মাহৰ ২০ তাৰিখে আমি পোৱাকৈ পঠাব লাগিব। * সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক নামকৰণৰ বাবে ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। * নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি আমি যথাসময়ত পোৱাকৈ তলৰ ঠিকনালৈ পঠাব লাগিব।

ঠিকনা : CHANDAMAMA PHOTO-CAPTION COMPETETION (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600026.

১৯৯৭ চনৰ এপ্ৰিল সংখ্যাৰ ফোটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফোটো : কুমাৰে কলহ গঢ়িছে
দ্বিতীয় ফোটো : নাৰীয়ে কলহ ভৰিছে
পাওঁতা : টুটুমণিদেৱী মঙ্গলদৈ বিদ্যাপীঠ হাইস্কুল মঙ্গলদৈ-৭৮৪১২৫ দৰং

চান্দমামাৰ বছৰেকীয়া বৰঙনি :

ভাৰতত ৭২.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES
CHANDAMAMA BUILDINGS, 188 N.S.K. SALAI, VADAPALANI, MADRAS-600026.

Printed by B.V. REDDI at Prasad Process private Ltd., 188, N.S.K. Salai, Madras - 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras - 600 026 (India), Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exelusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

Eggcetera

Brain Scramblers for Kids

There are seven differences between the two pictures.
See if you can find them all.



An egg is packed with protein, vitamins and 11 minerals essential for your body.

NECC
NATIONAL EGG CO-ORDINATION COMMITTEE
Have you had an egg today?

MEGA GIFT OFFER
WITH EVERY PACK OF 20 NATARAJ PLASTO ERASERS
FREE 1 Nataraj Press-Fit Sharpener and 2 Apsara Non-Dust Erasers (Worth Rs. 12/-)
Rs.30/-
NATARAJ®
PLASTO ERASERS
Quality products from Hindustan Pencils Limited.
Offer available till stocks last, only with packs on which the free offer is indicated.